www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, OCTOBER 09, 2024 ■ বুধবাৰ।। ২২ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৭৭ Guwahati, Assam ।। মূল্যঃ এটকা

## আজি মহাষষ্ঠী, উছৱৰ বতৰ আৰম্ভ

**ই-সংবাদ, ৮ অক্টোবৰঃ** মা দুৰ্গাৰ পুনৰ ধৰালৈ আগমন ঘটিছে। ধৰালৈ আগমন ঘটা দেৱীক ২ পৃষ্ঠাত চাওক

## পুনৰ ভুল এগজিট প’ল ■ জেজেপি ধূলিস্যাৎ ■ গুৰুত্বহীন মেহবুবাৰ পিডিপি

# হাৰিয়ানাত বিজেপিৰ হেট্ৰিক, কাশ্মীৰত কংগ্ৰেছ-এনচি

| হাৰিয়ানা |
|---|
| মুঠ আসনঃ ৯০ |
| বিজেপিঃ ৪৮ |
| কংগ্ৰেছঃ ৩৭ |
| আইএনএলডিঃ ২ |
| আপঃ ০ |
| জেজিপিঃ ০ |
| অন্যান্যঃ ৩ |

| জম্মু-কাশ্মীৰ |
|---|
| মুঠ আসনঃ ৯০ |
| কং+ এনচি : ৪৯ |
| বিজেপিঃ ২৯ |
| পিডিপিঃ ৩ |
| অন্যান্যঃ ৯ |






বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰধানমন্ত্ৰী মোদী-নাড্ডা, তলৰ ফটোত কাশ্মীৰৰ দৃশ্য

**চণ্ডীগড়, ৮ অক্টোবৰঃ** ফলাফলৰ পূৰ্বে বিভিন্ন সংস্থাই প্ৰকাশ কৰা এগজিট প’লক পুনৰ এবাৰ ভুল প্ৰমাণিত কৰি হাৰিয়ানাত বিজয়ৰ হেট্ৰিক গঢ়িলে গেৰুৱা বাহিনীয়ে। আজি ঘোষণা হোৱা হাৰিয়ানা বিধানসভা নিৰ্বাচনত ৪৮ খন আসন লাভ কৰি পুনৰ চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে ভাৰতীয় জনতা শেষাংশ ৪ পৃষ্ঠাত

## সকলো ব্যৱস্থা হৈ আছে! মুখ্যমন্ত্ৰী ছৈনীৰ মন্তব্যক লৈ ৰহস্য

**চণ্ডীগড়, ৮ অক্টোবৰঃ** নিৰ্বাচনৰ পূৰ্বে সকলো এগজিট প’লে কংগ্ৰেছৰ চৰকাৰ গঠনৰ ইংগিত দিছিল। কংগ্ৰেছে ৬২ খন পৰ্যন্ত আসন পাব বুলি কৰা হৈছিল। কিন্তু ভোটগণনাৰ অন্তত ঘোষিত ফলাফল অনুসৰি কংগ্ৰেছক লৈ কৰা সকলো অনুমান বিফল হৈছে। বিজেপি শেষাংশ ২ পৃষ্ঠাত

### আৰ জি কৰ মেডিকেল কাণ্ড
## চিকিৎসকৰ সমূহীয়া পদত্যাগ

**কলকাতা, ৮ অক্টোবৰঃ** কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজৰ মহিলা চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাকাণ্ডক লৈ পশ্চিমবংগত অব্যাহত আছে উত্তেজনা। শেষাংশ ৫ পৃষ্ঠাত

## ফলাফলক লৈ কংগ্ৰেছৰ অসন্তুষ্টি

**নতুন দিল্লী, ৮ অক্টোবৰঃ** হাৰিয়ানাৰ নিৰ্বাচনত কংগ্ৰেছে আশা কৰাৰ বিপৰীত ফলাফল লাভৰ পাছতে ইভিএমক লৈ পুনৰ সোচ্চাৰ হৈ পৰিছে কংগ্ৰেছ। কংগ্ৰেছৰ শীৰ্ষ শেষাংশ ৩ পৃষ্ঠাত

## ‘জুলানা’ত দিনযোৰা দংগলৰে ৬ হাজাৰ ভোটত জয়ী বিনেশ ফ’গাট



**চণ্ডীগড়, ৮ অক্টোবৰঃ** পেৰিছ অলিম্পিকত শৰীৰৰ মাত্ৰ এশ গ্ৰাম ওজনৰ বাবে স্বৰ্ণজয়ৰ পৰা বঞ্চিত হৈছিল ভাৰতীয় মল্লযুঁজাৰু বিনেশ ফ’গাট। কিন্তু নিৰ্বাচনৰ ৰণাংগনত নামি শেষাংশ ৪ পৃষ্ঠাত

## উজনিত কদৰ বাঢ়িছে মিঞাৰ!

**ই-সংবাদ, ৮ অক্টোবৰঃ** লোকক দেখুৱাই মাৰিবা কেটেৰা-জেঙেৰা, ভিতৰি নেৰিবা বেথা। উজনি অসমৰ একাংশ লোকৰ বাবে কথা এতিয়া এই ফকৰা-যোজনা শেষাংশ ৫ পৃষ্ঠাত

## হপফিল্ড-হিণ্টনলৈ পদাৰ্থ বিজ্ঞানৰ নোবেল

**ষ্টকহ’ম, ৮ অক্টোবৰঃ** পুনৰ দুগৰাকী আমেৰিকান বিজ্ঞানীলৈ আগবঢ়োৱা হ’ল ২০২৪ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা। আমেৰিকান বিজ্ঞানী জন জে





হপফিল্ড আৰু জেফ্ৰি ই হিণ্টনলৈ আগবঢ়োৱা হৈছে এই বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ নোবেল। কৃত্ৰিম বুদ্ধিমত্তা অৰ্থাৎ এআইৰ ক্ষেত্ৰখনলৈ শেষাংশ ৩ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

## সকলো ব্যৱস্থা হৈ আছে! মুখ্যমন্ত্ৰী

বিজেপি দলে বিপুল সংখ্যাগৰিষ্ঠতা লাভ কৰি হাৰিয়ানাত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠনৰ দিশে অগ্ৰসৰ হৈছে। নিৰ্বাচনী ফলাফল ঘোষণাৰ মাজতে কংগ্ৰেছে নিৰ্বাচনী আয়োগৰ বিৰুদ্ধে ভোটগণনাৰ সময়ত 'ডাটা আপডেট' কৰাত লেহেমীয়া কৰাৰ অভিযোগ উত্থাপন কৰাই নহয় ফলাফলক লৈ নিৰ্বাচনী প্ৰক্ৰিয়াক লৈ পুনৰ প্ৰশ্ন উত্থাপন কৰে। তাৰ মাজতে আন এক প্ৰসংগই লাভ কৰিছে বিশেষ চৰ্চা। সেয়া হৈছে বিজেপিৰ জ্যেষ্ঠ নেতা তথা হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং ছৈনীৰ এক মন্তব্য। ফলাফল ঘোষণাৰ এদিন পূৰ্বে নয়াব সিং ছৈনীয়ে সকলো বন্দোৱস্ত কৰা হৈছে বুলি মন্তব্য প্ৰদান কৰিছিল। সাংবাদিকে যেতিয়া মুখ্যমন্ত্ৰী ছৈনীক এগজিট পলত কংগ্ৰেছে চৰকাৰ গঠনৰ অনুমান কৰাৰ কথা সুধিছিল তেতিয়াই ছৈনীয়ে কৈছিল চিন্তা কৰিব নালাগে, সকলো বন্দোৱস্ত কৰা হৈছে। ছৈনীয়ে স্পষ্ট কৰি দিছিল যে নিৰ্বাচন জয়ী হোৱাৰ সকলো ব্যৱস্থা তেওঁৰ হাতত আছে। কালিলৈকে কংগ্ৰেছৰ পক্ষত পৰিৱেশ থকা বুলি সংবাদ মাধ্যমত চৰ্চা চলা হাৰিয়ানাত বিজেপিয়ে অকলে সংখ্যাগৰিষ্ঠতা লাভ কৰাত মুখ্যমন্ত্ৰীৰ সেই বিশেষ মন্তব্যই এতিয়া চৰ্চা লাভ কৰিছে। মুখ্যমন্ত্ৰী ছৈনীৰ মন্তব্যক উভতি ধৰি কংগ্ৰেছৰ নেতা দীপেন্দৰ হুড্ডাই মুখ্যমন্ত্ৰীক সমালোচনা কৰিছিল। হুড্ডাই কৈছিল যে জনগণৰ ৰায় মানি লোৱা উচিত। লগতে শ্লেষ ভৰা মন্তব্যৰে হুড্ডাই কৈছিল যে চিন্তা নকৰিব ৰাহুল গান্ধীৰ নেতৃত্বত চৰকাৰ গঠন হ'ব। ৪ বজাৰ ভিতৰত আপোনালৈ জিলাপী প্ৰেৰণ কৰিম। আজিৰ হাৰিয়ানাৰ নিৰ্বাচনী ফলাফলে নিৰ্বাচনী বিশেষজ্ঞক আচৰিত কৰে। কিয়নো নিৰ্বাচনী বিশেষজ্ঞই কংগ্ৰেছ চৰকাৰৰ অনুমান কৰিছিল। আজিৰ ফলাফৰ পিছতে এতিয়া মুখ্যমন্ত্ৰীৰ বিবাদিত মন্তব্যক লৈ আলোচনা হ'বলৈ আৰম্ভ কৰা পৰিলক্ষিত হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

## আজি মহাষষ্ঠী, উছৱৰ বতৰ আৰম্ভ

কাইলৈ বৈদিক পৰম্পৰা ৰক্ষা কৰি ষষ্ঠীৰ বেদীত প্ৰতিষ্ঠা কৰা হ'ব। বেলবৰণৰ দিনটোত বেদীত দেৱীৰ প্ৰতিষ্ঠা কৰাৰ পাছতে মৰতত দেৱী বন্দনা আৰম্ভ হ'ব। সৰ্বভূতৰ মাতৃস্বৰূপা, শক্তিদাত্ৰী, দেৱী দশভূজাৰ পৱিত্ৰ পূজা আৰম্ভ হ'ব। কাইলৈ মৌ পান কৰাই পূজা আৰম্ভ হ'ব। এনে পৰম্পাৰৰ দ্বাৰা দেৱী সন্তুষ্ট হয় বুলি চৰ্চা চলি আহিছে। সন্ধিয়া কৰা হ'ব দেৱীৰ আমন্ত্ৰণ, অধিবাস। লগে ভক্তিৰসত বিলীন হ'ব মা দেৱীৰ ভক্ত। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ, মংগল ধ্বনি, শংখ, ঢাক-ঢোলৰ ধ্বনিয়ে আকাশ ৰজনজনাই যাব। সকলো দেৱীপীঠ, শক্তিপীঠ আৰু অস্থায়ী মণ্ডপত দুৰ্গা পূজ আৰম্ভ হ'ব। মহাসপ্তমী, মহাঅষ্টমী, মহানৱমী আৰু বিজয়া দশমীলৈ ভক্তই দেৱীক নিতৌ আৰাধনা কৰি যাব। ইতিমধ্যে ৰাজ্যত শাৰদীয় দুৰ্গা পূজাক লৈ ৰাজ্যজুৰি আনন্দ-উল্লাস দেখা গৈছে। পূজা মণ্ডপসমূহ সাজি-কাচি আটকধুনীয়া কৰা হৈছে। ৰাজ্য কেইবাখনো পূজা মণ্ডপ বিভিন্ন আকৃতিত নিৰ্মাণ কৰাত ৰাইজৰ আকৰ্ষণ বৃদ্ধি পাইছে। বজাৰত পূজা বলিয়াৰ লোকৰ ভিৰ বাঢ়িছে। কাপোৰ-কানি কিনাৰ বাবে বজাৰত সমাগম বাঢ়িছে। কিন্তু একাংশ বেপাৰীয়ে পূৰ্বৰ দৰে ব্যৱসায় হোৱা বুলি নাই বুলি উল্লেখ কৰিছে। গুৱাহাটী মহানগৰীতো পূজাক লৈ ব্যাপক প্ৰস্তুতি চলা দেখা গৈছে। পূজা কমিটিসমূহক লৈ প্ৰশাসনে এছঅ'পি জাৰি কৰিছে। পূজাৰ সময়ত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ নহয় তাৰ বাবে আৰক্ষীও সন্তম হৈ পৰিছে। আনহাতে ৰাজ্যৰ ভিন্নপ্ৰান্তত পূজা কমিটিসমূহক চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা হৈছে ধন। উল্লেখ্য যে, কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল যে ৰাজ্যৰ দুৰ্গা পূজা সমিতিসমূহক ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদান আগবঢ়াব। এই ঘোষণা অনুযায়ী এতিয়া পূজা কমিটিসমূহক ধন প্ৰদান কৰা হৈছে।

# নাওবৈচাত ৰাইজৰ দলৰ বিশাল জনসভাত নৰহক সমালোচনা অখিলৰ

### বিজেপিক পৰাভূত কৰিবলৈহে কংগ্ৰেছৰ লগত আছে বুলি মন্তব্য

**ই-সংবাদ, নাওবৈচা, ৮ অক্টোবৰঃ** লখিমপুৰৰ নাওবৈচাত আজি ৰাইজৰ দলৰ বৃহৎ ৰেলী অনুষ্ঠিত হয়। দলটোৰ সভাপতি অখিল গগৈৰ উপস্থিতিত অনুষ্ঠিত ৰেলীত কেইবা হাজাৰ লোক উপস্থিত থাকে। সভাপতি অখিল গগৈয়ে জনসভাত উপস্থিত লোকক সম্বোধন কৰি বিজেপি সমালোচনা কৰে। নাওবৈচা সমষ্টিৰ ৰাস্তা-ঘাটৰ অৱস্থা বেয়া বুলি দাবী কৰি গগৈয়ে ৰাস্তা-ঘাটৰ ভিডিঅ' ৰেকৰ্ড কৰি লোৱা বুলি কয়। সেই ভিডিঅ'সমূহ অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ সচিবক দেখুৱাই কাম কৰিম বুলি দাবী কৰে অখিলে। লগতে ৰাইজৰ প্ৰতিনিধিক দিছপুৰলৈ আনি সমস্যাসমূহৰ কথা অৱগত কৰোৱাৰ প্ৰতিশ্ৰুতি দিয়ে অখিলে। যদি চৰকাৰে অখিল গগৈয়ে দাবী মানি নলয় তেন্তে ৰাইজৰ সহযোগত নাওবৈচাত প্ৰতিবাদ সাব্যস্ত কৰাৰ ঘোষণা কৰে। অখিল গগৈয়ে বিজেপিক তীব্ৰ সমালোচনা কৰি ধৰ্মৰ নামত ৰাজনীতি কৰাৰ অভিযোগ আনে। ২০২৬ চনত বিজেপিক পৰাস্ত কৰিবলৈ একত্ৰিত হৈ ভোট প্ৰদান কৰিবলৈ আহ্বান জনায়। ৰাজ্যত ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ আনি বিজেপিক ক্ষুৰধাৰ সমালোচনা কৰে। কেৱল বিজেপিকৈ যে অখিল গগৈয়ে সমালোচনা কৰিছে তেনে নহয়। মিত্ৰজোঁট অসমৰ অংশীদাৰ কংগ্ৰেছৰ নাওবৈচাৰ বিধায়ক ভৰত নৰহকো তীব্ৰ সমালোচনা কৰে। গগৈয়ে জনসভা সম্বোধন কৰি কয় যে এই সমষ্টিত আমাৰ মিত্ৰদলৰ বিধায়ক আছে। বিজেপিৰ পৰাভূত কৰিবলৈ আমি কংগ্ৰেছৰ লগত আছো। কিন্তু মই এটা কথা ক'বই লাগিব যে আপোনালোকৰ বিধায়কজনে আপোনালোকৰ প্ৰতি যি দায়িত্ব, সেই দায়িত্ব গ্ৰহণ কৰা নাই। মোৰ সমষ্টিত যদি ৰাস্তাৰ অৱস্থা এনেকুৱা থাকিলেহেঁতেন তেন্তে দহবাৰ হিমন্ত বিশ্ব শৰ্মাৰ ঘৰত গৈ প্ৰতিবাদ কৰিলোহেঁতেন।



■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হপফিল্ড-হিণ্টনলৈ পদাৰ্থ বিজ্ঞানৰ

আগবঢ়োৱা বিশেষ অৱদানৰ বাবে বিজ্ঞানীদ্বয়লৈ আগবঢ়োৱা হৈছে এই সন্মান। হপফিল্ড আমেৰিকাৰ প্ৰিঞ্চটন বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু হিন্টন কানাডাৰ টৰোণ্টো বিশ্ববিদ্যালয়ৰ বিজ্ঞানী। "কৃত্ৰিম নিউৰেল নেটৱৰ্কৰ জৰিয়তে মেচিন লাৰ্নিং সক্ষম কৰি তোলা মৌলিক আৱিষ্কাৰ আৰু উদ্ভাৱনৰ বাবে" বিজ্ঞানী দুগৰাকীলৈ আগবঢ়োৱা হৈছে পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা। কৃত্ৰিম নিউৰেল নেটৱৰ্কৰ ওপৰত ভিত্তি কৰি মেচিন লাৰ্নিঙে বৰ্তমান বিজ্ঞান, অভিযান্ত্ৰিক আৰু দৈনন্দিন জীৱনত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। ইতিমধ্যে এই ক্ষেত্ৰখনে এখন বহনক্ষম সমাজ গঢ়ি তোলাৰ দিশত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰাৰ লগতে নতুন কাৰ্য্যকৰী সম্পদ চিনাক্ত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। নোবেল জয়ী দুই বিজ্ঞানীয়ে কম্পিউটাৰৰ সহায়ত সমাজে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হ'বলৈ সহায় কৰাৰ লগতে দিছে দিক নিৰ্দেশনা। জন হপফিল্ডে তথ্য সংৰক্ষণ আৰু তথ্যৰ পুনৰ্গঠন কৰিব পৰা এটা কাঠামো সৃষ্টি কৰিছিল। বিপৰীতে হিন্টনে এনে এটা কৌশল বিকশিত কৰিছিল যিয়ে তথ্যৰ ভিতৰত স্বতন্ত্ৰ বৈশিষ্ট্যসমূহৰ আৱিষ্কাৰ কৰিব পাৰে, যিটো আজিৰ বৃহৎ কৃত্ৰিম নিউৰেল নেটৱৰ্কৰ বাবে অপৰিহাৰ্য। উল্লেখ্য যে, হিন্টনে আগতে গুগলত কাম কৰিছিল। ২০২৩ চনত তেওঁ চাকৰি ত্যাগ কৰি গৱেষণাত মনোনিৱেশ কৰে। এআইৰ ভৱিষ্যতক লৈ অত্যন্ত আশাবাদী হিন্টন। তেওঁ কয়, "অচিৰেই কম্পিউটাৰে মানুহক অতিক্ৰম কৰিব বুলি মই বিশ্বাস কৰো। যন্ত্ৰৰ পিছত এতিয়া কৃত্ৰিম বুদ্ধিমত্তাৰো মানুহে সুফল লাভ কৰিব।" দুয়োগৰাকী বিজ্ঞানীৰ গৱেষণাই কৃত্ৰিম নিউৰেল নেটৱৰ্ক তৈয়াৰ সম্ভৱ কৰি তোলাৰ ফলত অনাগত দিনত এআই আৰু অধিক বিকশিত হৈ পৰিব বুলি আশা কৰা হৈছে। বিজ্ঞানী দুগৰাকীয়ে পদাৰ্থ বিজ্ঞানৰ মৌলিক ধাৰণাৰ আধাৰতেই গৱেষণা কৰি এইক্ষেত্ৰত সফলতা অৰ্জন কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ফলাফলক লৈ কংগ্ৰেছৰ অসন্তুষ্টি

নেতা জয়ৰাম ৰমেশ, পৱন খেৰা, সুপ্ৰিয়া শ্ৰীনেটে বাৰে বাৰে নিৰ্বাচনী ব্যৱস্থাপনা আৰু ইভিএমক লৈ প্ৰশ্ন উত্থাপন কৰি গৈছে। এগজিট পল আৰু নিৰ্বাচনী বিশেষজ্ঞই কংগ্ৰেছে কমেও ৬০ খন আসন পাব বুলি ভৱিষ্যদ্বাণী কৰিছিল। কিন্তু আজি ঘোষণা কৰা ফলাফলে কংগ্ৰেছৰ আশাত চেঁচাপানী ঢালে। দুপৰীয়া প্ৰায় ৩ বজাৰ পৰা কংগ্ৰেছে ইভিএমক লৈ মন্তব্য প্ৰদান কৰি গৈছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সচিব জয়ৰাম ৰমেশে হাৰিয়ানাৰ ফলাফল মানি লোৱা নাই বুলি স্পষ্ট কৰে। ৰমেশে কয় যে এয়া ব্যৱস্থাৰ জয়। গণতন্ত্ৰৰ জয় নহয়। কংগ্ৰেছৰ নেতা পৱন খেৰা আৰু জয়ৰাম ৰমেশে নতুন দিল্লীৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি হাৰিয়ানাৰ নিৰ্বাচনত ইভিএম টেম্পাৰিঙৰ সন্দেহ কৰিছে। ইভিএমত বিজেপি প্ৰাৰ্থীয়ে পায় অধিক ভোট লাভৰ লগতে নিৰ্বাচন আয়োগে ডাটা জাৰি কৰাত ইচ্ছাকৃতভাৱে বিলম্ব কৰাৰ অভিযোগ আনে কংগ্ৰেছে। কংগ্ৰেছে ফলাফলত অসন্তুষ্টি প্ৰকাশ কৰে কয় যে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ফলাফল দলটোৱে গ্ৰহণ কৰাটো সম্ভৱ নহয়। হাৰিয়ানাত ফলাফল সম্পূৰ্ণৰূপে অপ্ৰত্যাশিত, আচৰিত। গ্ৰাউণ্ডৰ বাস্তৱতাৰ বিপৰীত। ৰমেশে বিজেপিৰ জয়ক হেৰফেৰ জয় বুলি অভিহিত কৰি কংগ্ৰেছ প্ৰাৰ্থীসকলে উত্থাপন কৰা গুৰুতৰ বিষয়সমূহ নিৰ্বাচন আয়োগক জনোৱা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, হাৰিয়ানাত এয়া হেৰফেৰ জয়। জনগণৰ ইচ্ছাক কলুষিত কৰা আৰু স্বচ্ছ গণতান্ত্ৰিক প্ৰক্ৰিয়াৰ পৰাজয় আখ্যা দিয়ে। হাৰিয়ানাত আমাৰ পৰা বিজয় কাঢ়ি লোৱা হৈছে। ফলাফল পৰিৱৰ্তনৰ বিচৰা মানুহৰ অনুভূতিৰ বিৰুদ্ধে। ইপিনে সুপ্ৰিয়া শ্ৰীনেটে কয় যে জম্মু-কাশ্মীৰত ইণ্ডিয়াৰ বৃহৎ বিজয় আৰু বিজেপিৰ পৰাজয় হৈছে। দেশৰ এখন ৰাজ্যক বিজেপিয়ে কৰি অহা অন্যায়ৰ বিৰুদ্ধে ৰাইজে গণতান্ত্ৰিক উপায়েৰে প্ৰতিশোধ লৈছে। ইয়াৰ বাবে সকলো লোকক ধন্যবাদ। হাৰিয়ানাৰ ফলাফল আশাৰ বিপৰীত। মই গৌৰৱান্বিত যে কংগ্ৰেছ দলে কৃষক, সৈনিক, যুৱ আৰু মল্লযোদ্ধাসকলৰ বিষয়ক লৈ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিছিল। আমি এই বিষয়বোৰ শক্তিশালী ভাৱে উত্থাপন কৰি যাম। উল্লেখ্য যে আজি পুৱা ১০ বজালৈকে কংগ্ৰেছ দল আগবাঢ়ি আছিল যদিও পিছত সকলো ওলোটা হৈ পৰে।



জয়ৰ পিছতে সমৰ্থকসকলৰ সৈতে এনেদৰে দেখা গ'ল নেশ্যনেল কনফাৰেন্সৰ ওমৰ আব্দুল্লাক, কাশ্মীৰত মঙলবাৰে

প্ৰথম পৃষ্ঠাৰ পৰা...

# হাৰিয়ানাত বিজেপিৰ হেট্ৰিক, কাশ্মীৰত

পাৰ্টি। এই নিৰ্বাচনত কংগ্ৰেছে দখল কৰিছে ৩৭খন আসন। উল্লেখ্য যে, ভোটগণনা আৰম্ভ হোৱাৰ সময়ত হাৰিয়ানাত বিধ্বস্ত ৰূপত দেখা গৈছিল বিজেপিক। তৃতীয়-চতুৰ্থ ৰাউণ্ডলৈকে বিজেপিতকৈ দুগুণ আসনত আগবাঢ়ি আছিল কংগ্ৰেছ। কিন্তু ভোটগণনা আগবঢ়াৰ লগে লগে সলনি হৈ গৈ থাকে নিৰ্বাচনী পট আৰু শেষ মুহূৰ্তলৈকে বিজেপিয়ে চৰকাৰ গঠন কৰিবলৈ প্ৰয়োজনীয় আসনৰ সীমা অতিক্ৰম কৰি ৪৮ খন আসন লাভ কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে ৩৭ খন আসনতে থমকি ৰয় কংগ্ৰেছৰ বিজয় ৰথ। লক্ষণীয় কথাটো হ'ল- হাৰিয়ানাৰ এই নিৰ্বাচনৰ ফলাফলৰ লগে লগে পুনৰ এবাৰ ভুল প্ৰমাণিত হ'ল বিভিন্ন সংস্থাই ফলাফলৰ পূৰ্বে প্ৰকাশ কৰা সমীক্ষা। ফলাফলৰ পূৰ্বে প্ৰায় সকলো সংস্থাই এইবাৰ হাৰিয়ানাত কংগ্ৰেছৰ ধ্বজা উৰিব বুলি ভৱিষ্যদ্বাণী কৰিছিল। হাৰিয়ানাত ক্ৰমাগতভাৱে বৃদ্ধি পোৱা নিবনুৱা সমস্যা, কৃষকৰ আন্দোলন, মল্লযুঁজাৰুৰ প্ৰতিবাদ আৰু মূল্যবৃদ্ধিৰ দৰে জ্বলন্ত সমস্যাই ৰণাংগনত প্ৰভাৱ পেলাব বুলি অনুমান কৰা হৈছিল যদিও শেষমুহূৰ্তত পুনৰ বিজেপিৰ পক্ষত পৰে জনতাৰ ৰায়দান। বিপৰীতে বিগত নিৰ্বাচনত তুলনাত ৰাজ্যখনত এইবাৰ বিজেপিৰ আসন বৃদ্ধিহে পায়। ২০১৯ৰ নিৰ্বাচনত ৪০ খন আসন লাভ কৰি জননায়ক জনতা পাৰ্টিৰ সৈতে মিত্ৰজোঁটৰ চৰকাৰ গঠন কৰা বিজেপিয়ে এইবাৰ অকলেই লাভ কৰিছে সংখ্যাগৰিষ্ঠতা। সমান্তৰালভাৱে বিগত নিৰ্বাচনত ৩১ খন আসন লাভ কৰা কংগ্ৰেছৰ আসন এইবাৰ ৬ খন বৃদ্ধি পাইছে। বিপৰীতে জননায়ক জনতা পাৰ্টিয়ে এইবাৰ এখনো আসনত দখল কৰিবলৈ সমৰ্থ নহ'ল। হাৰিয়ানাৰ এই ফলাফলৰ পিছতে দেশজুৰি বিজেপিৰ কৰ্মকৰ্তাসকলৰ মাজত দেখিবলৈ পোৱা গৈছে বিজয়ৰ উল্লাস। ৰাজ্যখনৰ নিৰ্বাচনী ফলাফল প্ৰকাশৰ পিছতে মুখ্যমন্ত্ৰী নায়ব সিং চাইনীক ফোনযোগে অভিনন্দন জনায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। মোদীয়ে এক্সযোগে হাৰিয়ানাবাসীক কৃতজ্ঞতা জনাই কয়, "হাৰিয়ানাৰ জনসাধাৰণে এক অভুতপূৰ্ব সিদ্ধান্ত লৈছে, আজি পুনৰ এবাৰ চৌদিশে পদুম ফুলাইছে। গীতাৰ ভূমিত উন্নয়নে জয়লাভ কৰিছে। প্ৰতিটো শ্ৰেণী আৰু জাতিৰ মানুহে ভোট দিছে। শান্তিপূৰ্ণ নিৰ্বাচন অনুষ্ঠিত হ'ল জম্মু-কাশ্মীৰত, এয়া ভাৰতৰ সংবিধানৰ জয়। জম্মু-কাশ্মীৰৰ জনসাধাৰণে নেশ্যনেল কনফাৰেন্সক অধিক আসন দিছে আৰু মই তেওঁলোকক অভিনন্দন জনাইছো।" ইফালে, সম্পূৰ্ণ এটা দশক পিছত অনুষ্ঠিত হোৱা জম্মু-কাশ্মীৰৰ নিৰ্বাচনৰ ফলাফলে ইংগিত দিছে কংগ্ৰেছ-নেশ্যনেল কনফাৰেন্স মিত্ৰজোঁটৰ চৰকাৰ গঠনৰ। উল্লেখ্য যে, হাৰিয়ানাত চমকপ্ৰদ বিজয় সাব্যস্ত কৰা বিজেপিয়ে জম্মু-কাশ্মীৰত মাত্ৰ ২৯খন আসনতে সন্তুষ্টি লাভ কৰিবলগীয়া হৈছে। অৱশ্যে ২০১৪ চনৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এইবাৰ বৃদ্ধি পাইছে বিজেপিৰ আসনৰ সংখ্যা। কিন্তু ইয়াৰ পিছতে ২০২৪ৰ বিধানসভা নিৰ্বাচনত বিজেপিক চেৰ পেলাই দুই প্ৰাক্তন মুখ্যমন্ত্ৰী ফাৰুক আব্দুলা আৰু পুত্ৰ ওমৰ আব্দুল্লাৰ দল নেশ্যনেল নেশ্যনেল কনফাৰেন্সে ৯০ খন আসনৰ ভিতৰত ৪২ খন লাভ কৰে। আনহাতে মিত্ৰদল কংগ্ৰেছে লাভ কৰে ছয়খন আসন। একেদৰে প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফটিৰ পিপলছ ডেম'ক্ৰেটিক পাৰ্টিয়ে তিনিখন আসন, প্ৰাক্তন বিচ্ছিন্নতাবাদী নেতা সাজ্জাদ ল'নৰ পিপলছ কনফাৰেন্স আৰু আম আদমী পাৰ্টিয়ে এখনকৈ আসন লাভ কৰে। সাতখন আসনত জয়ী হয় নিৰ্দলীয় প্ৰাৰ্থী। মন কৰিবলগীয়া যে, কেন্দ্ৰীয় শাসিত জম্মু-কাশ্মীৰৰ ৯০টা সমষ্টিত পোনপটীয়া নিৰ্বাচন অনুষ্ঠিত হয়। কিন্তু ২০১৯ চনৰ জম্মু-কাশ্মীৰ পুনৰ্গঠন আইন আৰু সেই আইনখনৰ ২০২৩ চনৰ সংশোধনী অনুসৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয় আৰু জম্মু-কাশ্মীৰৰ ৰাজ্যপালে একেলগে পাঁচজন অনিৰ্বাচিত বিধায়ক বাছনি কৰিব পাৰে। ইয়াত কাশ্মীৰী পণ্ডিত আৰু পাক অধিকৃত কাশ্মীৰৰ শৰণাৰ্থীৰ প্ৰতিনিধি অন্তৰ্ভুক্ত হ'ব। এনে পৰিস্থিতিত ৯৫খন আসনৰ বাবে সংখ্যাগৰিষ্ঠতাৰ মেজিক নাম্বাৰ হৈছে ৪৮খন। ফলত বিধানসভা ত্ৰিশংকু হ'লে বিজেপিক ক্ষমতা প্ৰদানৰ ক্ষেত্ৰত উপ-ৰাজ্যপাল মনোজ সিং সক্ৰিয় হ'ব পাৰে বুলি বিৰোধীয়ে অভিযোগ উত্থাপন কৰিছে। কিন্তু আম আদমী পাৰ্টিৰ বিজয়ী প্ৰাৰ্থীজনক মিত্ৰজোঁটত অন্তৰ্ভুক্ত কৰিলে ইণ্ডিয়া মিত্ৰজোঁটৰ মুঠ বিধায়কৰ সংখ্যা ৫০ জন হ'ব। এনে পৰিস্থিতিত মঙলবাৰে বিয়লি নেশ্যনেল কনফাৰেন্সে ওমৰ আব্দুল্লাক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে ঘোষণা কৰে। মন কৰিবলগীয়া যে, মুঠ তিনিটা পৰ্যায়ত অনুষ্ঠিত হোৱা জম্মু-কাশ্মীৰৰ নিৰ্বাচনত হিন্দু প্ৰধান জম্মু কাশ্মীৰত বিজেপিয়ে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'লেও সন্ত্ৰাসবাদ জৰ্জৰ অঞ্চল হিচাপে পৰিচিত কাশ্মীৰ উপত্যকাত জনতাৰ সঁহাৰি লাভত ব্যৰ্থ হয় গেৰুৱা শিবিৰ। কিন্তু এই সত্বেও কেন্দ্ৰীয় শাসিত প্ৰদেশ দুখনৰ মুঠ ভোটলাভৰ শীৰ্ষত আছে বিজেপি। নিৰ্বাচনত বিজেপিয়ে ২৫ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে এন চিয়ে ২৩ শতাংশ, কংগ্ৰেছে ১২ শতাংশ আৰু পিডিপিয়ে ৯ শতাংশ ভোট লাভ কৰিছে। প্ৰণিধানযোগ্য যে, ২০১৪ চনৰ বিধানসভা নিৰ্বাচনতো বিজেপিয়ে ভোটলাভৰ শীৰ্ষতে আছিল। সেই নিৰ্বাচনত বিজেপিয়ে ২৩ শতাংশ ভোট লাভ কৰি নিজৰ দখললৈ আনিছিল ২৫ খন আসন। এইবাৰ বিজেপিৰ আসনৰ সংখ্যা বৃদ্ধি পাইছে। এনে পৰিপ্ৰেক্ষিতত জম্মু-কাশ্মীৰত গেৰুৱা বাহিনীয়ে চৰকাৰ গঠন কৰিবলৈ সক্ষম নহ'লেও ফলাফলক বিজেপিৰ প্ৰতি জনতাৰ আস্থাৰ প্ৰতিফলন বুলি অভিহিত কৰিছে দলটোৱে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# 'জুলানা'ত দিনযোৱা দংগলৰে

বিৰোধীক ধৰাশায়ী কৰি বিধানসভালৈ নিৰ্বাচিত হ'ল বিনেশ। আজি ঘোষণা কৰা হৈছে হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ ফলাফল। তৃতীয়বাৰলৈ এই নিৰ্বাচনত বাজী মাৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছে বিজেপি। কিন্তু বিজেপিৰ জয়ৰ সমান্তৰালভাৱে আজিৰ দিনটোত চৰ্চিত হৈছে মল্লযুঁজৰ ৰণাংগন এৰি ৰাজনীতিৰ ৰণাংগনত নমা বিনেশ ফ'গাটৰ বিজয়ো। হাৰিয়ানাৰ ঝুলনা বিধানসভা সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা আগবঢ়াই প্ৰতিদ্বন্দ্বী বিজেপিৰ প্ৰাৰ্থী অৱসৰপ্ৰাপ্ত সেনা অধিনায়ক যোগেশ কুমাৰ বৈৰাগীক পৰাস্ত কৰে বিনেশে। এই সমষ্টিটোত ছয় হাজাৰ ভোটৰ ব্যৱধানত বিজয় লাভ কৰি ৰাজনীতিৰ পথাৰত নিজৰ ভেটি সুদৃঢ় কৰে মল্লযুঁজাৰুগৰাকীয়ে। উল্লেখ্য যে, শেহতীয়া পেৰিছ অলিম্পিকত প্ৰতিদ্বন্দ্বিক ধৰাশায়ী কৰি আগবঢ়া বিনেশ ফ'গাটক চূড়ান্ত খেলৰ পূৰ্বে শৰীৰৰ মাত্ৰ এশ গ্ৰাম অধিক ওজনৰ বাবে অযোগ্য ঘোষণা কৰা হৈছিল। ইয়াৰ লগে লগে মৰহিছিল মল্লযুঁজাৰুগৰাকীৰ স্বৰ্ণজয়ৰ সপোনো। কিন্তু তেতিয়াৰ পৰাই প্ৰতিজন ভাৰতীয়ৰ বুকুত এখন ঘৰ সাজিবলৈ সক্ষম হোৱা বিনেশ ফ'গাটে পৰৱৰ্তী সময়ত যোগদান কৰে কংগ্ৰেছত। হাৰিয়ানাৰ বিধানসভা নিৰ্বাচনত দলে জুলানা সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰে আৰু আজি দলৰ সমষ্টিবাসীৰ আস্থা জয় কৰি বিজয় সাব্যস্ত হয় বিনেশ ফ'গাট। উল্লেখ্য যে, ভোটগণনাৰ আৰম্ভণিৰ সময়ত বিনেশ আগবাঢ়ি আছিল যদিও পিছত ষষ্ঠ ৰাউণ্ডৰ অন্তত তেওঁ বিজেপি প্ৰাৰ্থীগৰাকীতকৈ পিছ পৰি কয়। কিন্তু ভোটগণনা আগবঢ়াৰ লগে লগে পুনৰ প্ৰত্যাৱৰ্তন ঘটে বিনেশৰ আৰু অন্তিম ৰাউণ্ডলৈকে তেওঁ বিজেপি প্ৰাৰ্থীজনতকৈ ৬ হাজাৰ ভোটত জয়লাভ কৰে। হাৰিয়ানাত কংগ্ৰেছৰ প্ৰদৰ্শন আশানুৰূপ নহ'লেও বিনেশ ফ'গাটৰ এই জয় বিজেপিৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান বুলি অভিহিত কৰিছে বিশ্লেষকসকলে। কিয়নো প্ৰায় এবছৰ পূৰ্বে এইগৰাকী বিনেশ ফ'গাটেই বজৰংগ পুনিয়া আৰু সাক্ষী মালিকৰ দৰে আন আন মল্লযুঁজাৰুসকলৰ লগত দিল্লীত বিজেপি সাংসদ তথা অল ইণ্ডিয়া ৰেছলিং ফেডাৰেচনৰ তদানীন্তন অধ্যক্ষ ব্ৰিজভূষণ চৰণ সিঙৰ বিৰুদ্ধে যৌন নিৰ্যাতনৰ অভিযোগেৰে প্ৰতিবাদ কৰিছিল। সেই সময়ত আৰক্ষীৰ নিৰ্মম অত্যাচাৰো বলি হৈছিল বিনেশ আৰু তেওঁৰ সতীৰ্থসকল। আৰক্ষীয়ে চোচৰাই লৈ যোৱাৰ ফটো আৰু ভিডিঅ' ভাইৰেল হৈ পৰিছিল সামাজিক মাধ্যমত। সেই সময়তে নতুন সংসদ ভৱন উদ্বোধনৰ দিনা ৰাজধানীৰ ৰাজপথৰ পৰা প্ৰতিবাদকাৰী মল্লযুঁজাৰুসকলক দিল্লী আৰক্ষীয়ে কাৰাগাৰৰ ভ্যানত উঠাই লৈ যায়। ইয়াৰ পিছতে লাজ আৰু হতাশাত নিজৰ পদক হৰিদ্বাৰৰ গংগাত বিসৰ্জন দিয়াৰ সিদ্ধান্ত লৈছিল বিনেশ ফ'গাট, বজৰংগ পুনিয়াৰ দৰে মল্লযুঁজাৰুৱে। বিজেপি সাংসদৰ বিৰুদ্ধে প্ৰতিবাদ কৰি বিজেপিৰ আই টি চেলৰ দ্বাৰা 'দেশদ্ৰোহী' আখ্যা পোৱা বিনেশ ফ'গাট বিধানসভালৈ নিৰ্বাচিত হৈ যোৱাতো বিজেপিৰ বিৰুদ্ধে এয়া জনতাৰ এক উচিত প্ৰত্যুত্তৰ বুলি মন্তব্য কৰিছে বহু ৰাজনৈতিক বিশ্লেষকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিকিৎসকৰ সমূহীয়া পদত্যাগ

এই ঘটনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা কনিষ্ঠ চিকিৎসকসকলৰ সমৰ্থনত শেহতীয়াকৈ সামূহিকভাৱে পদত্যাগ কৰিছে আৰ জি কৰ মেডিকেল কলেজ হাস্পতালৰ ৫০ গৰাকী জ্যেষ্ঠ চিকিৎসকে। আনহাতে আনহাতে কলকাতা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ জ্যেষ্ঠ চিকিৎসকসকলেও ২৪ ঘন্টাৰ ভিতৰত কনিষ্ঠ চিকিৎসকৰ দাবী পূৰণ নকৰিলে গণ পদত্যাগ কৰাৰ সকিয়নী প্ৰদান কৰিছে।মঙলবাৰে ৰাজ্যৰ স্বাস্থ্য শিক্ষা সঞ্চালকলৈ প্ৰেৰণ কৰা পত্ৰযোগে সামূহিক পদত্যাগৰ কথা ঘোষণা কৰে আৰ জি কৰৰ জ্যেষ্ঠ চিকিৎসকসকলে। একে সময়তে পত্ৰখনৰ জৰিয়তে প্ৰতিবাদকাৰী কনিষ্ঠ চিকিৎসকলৰ দাবী পূৰণৰ দিশত সুনিৰ্দিষ্ট পদক্ষেপ ল'বলৈও চৰকাৰক দাবী জনায় জ্যেষ্ঠ চিকিৎসকসকলে। এই সন্দৰ্ভত এগৰাকী জ্যেষ্ঠ চিকিৎসকে কয়, "আমৃত্যু অনশন যিকোনো আন্দোলনৰ শেষ অস্ত্ৰ। কনিষ্ঠ চিকিৎসকসকলে আমৃত্যু অনশনত বহাৰ পিছতো চৰকাৰে কোনো ধৰণৰ ইতিবাচক পদক্ষেপ লোৱা নাই। এতিয়াৰ বাবে আমি সামূহিকভাৱে পদত্যাগ কৰিছো। ইয়াৰ পিছত আমি ব্যক্তিগতভাৱেও পদত্যাগ কৰিম।" প্ৰণিধানযোগ্য যে, আৰ জি কৰ কাণ্ডৰ প্ৰতিবাদ আৰু চিকিৎসক সম্পৰ্কীয় দহটা দাবী পূৰণৰ সমৰ্থনত শনিবাৰৰ পৰা ধৰমতলা অঞ্চলত আমৃত্যু অনশন ধৰ্মঘট ৰূপায়ণ কৰি আছে সাতগৰাকীকৈ কনিষ্ঠ চিকিৎসকে। এই প্ৰতিবাদকাৰী চিকিৎসকসকলৰ সমৰ্থনতে মঙলবাৰে সামূহিক প্ৰতিবাদ কৰে আৰ জি কৰৰ জ্যেষ্ঠ চিকিৎসকসকলে। ইফালে দুৰ্গা পূজাৰ সময়ত চিকিৎসকলৰ এই গণ পদত্যাগে চিকিৎসা সেৱাত ব্যাঘাত জন্মোৱাৰ আশংকা কৰিছে বহুতে। সোমবাৰে ৰাজ্যৰ মুখ্য সচিব মনোজ পন্তে কনিষ্ঠ চিকিৎসকসকলক অনশন ধৰ্মঘটৰ অন্ত পেলাবলৈ আহ্বান জনাই সকলো চিকিৎসা মহাবিদ্যালয়ৰ ৯০ শতাংশ দাবী ১০ অক্টোবৰৰ পূৰ্বে পূৰণ হ'ব বুলি আশ্বাস দিয়ে। উল্লেখ্য যে আজি আদালতত এই ঘটনাৰ চাৰ্জশ্বিট দাখিল কৰিছে চিবিআইয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উজনিত কদৰ বাঢ়িছে মিঞাৰ!

শাৰীৰ দৰেই হৈছে। মানুহক দেখুৱাই মিঞাৰ বিৰোধ কৰিবলগীয়া হৈছে যদিও ভিতৰি ভিতৰি মিঞা নোহোৱাকৈ চলিব নোৱাৰা পৰিৱেশৰ সৃষ্টি হৈছে। জাতীয় সংগঠনে উজনি অসমৰ পৰা মিঞা খেদা অভিযান চলোৱাৰ সময়ত সৰ্বতোপ্ৰকাৰৰ ৰাইজে এই অভিযানক সমৰ্থন কৰিছিল যদিও একাংশ লোকে তলে তলে হয়তো সেই কথা মানি ল'ব পৰা নাছিল। তাৰ বহিঃপ্ৰকাশ ঘটিছিল কিছুদিন পাছতে। উজনিৰ কেইবাটাও উদ্যোগৰ মালিকে সংবাদমেল পাতি শ্ৰমিকৰ অভাৱৰ কথা উল্লেখ কৰি শ্ৰমিকক উজনিলৈ আহিবলৈ দিবৰ বাবে জাতীয় সংগঠন আৰু চৰকাৰক খাটনি ধৰিছিল। বিশেষকৈ ইটাভাটাৰ মালিকসকলে বিপদত পৰিছিল। উজনি অসমৰ পৰা মিঞা খেদি কৰ্ম-সংস্কৃতি গঢ়িব খুজিছিল যদিও ইটাভাটাৰ মালিকে চৰকাৰক কাকুতি-মিনতি কৰিছিল। কিয়নো ইটাভাটাৰ মালিকসকলৰ এতিয়া কামৰ সময়। তেনে সময়তে শ্ৰমিক নাপায় হাহাকাৰ কৰিবলগীয়া হৈছে। কিন্তু ইটাভাটাৰ মালিকসকলে ইটাভাটা বন্ধ কৰিব নোৱাৰে। এতিয়া কৰিব কি? শেষত নামনি অসমৰ পৰা গোপনে শ্ৰমিকক বিলাসী বাছত ভৰাই উজনি অসমলৈ নিয়াৰ অভিযান চলাইছে। যাৰ ফলত আৰম্ভ হৈছে শ্ৰমিকৰ ছিণ্ডিকেট। নামনিৰ মিঞাক উজনিত আদৰণি জনাবলৈ সাজু হোৱাৰ সময়তে চিণ্ডিকেট চক্ৰ বিপদত পৰিছে। কিয়নো শ্ৰমিকক বাছত ভৰাই নিয়া হৈছে যদিও কিবা অঘটন হলে কোনে দায়িত্ব ল'ব বুলি প্ৰশ্ন উত্থাপন হৈছে। তাতকৈ ডাঙৰ কথা হৈছে এয়াই যে শ্ৰমিকসকলে লগত নিছে পুত্ৰ-সন্তান। তেনেদৰেই পুত্ৰ-সন্তান লগত লৈ ভাটাৰ মালিকৰ বাছত উজনিলৈ যাত্ৰা কৰি থকাৰ সময়তে দল-সংগঠনে ৰাইজৰ সহযোগত ৰাজপথত শ্ৰমিক ভৰ্তি বাছ আবদ্ধ কৰিছে। বঙাইগাওঁ জিলাৰ মেৰেৰচৰ আৰক্ষী থানাৰ ঘোঁৱামাৰাত দেওবাৰে নিশা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘোঁৱামাৰাৰ একাংশ চৰ্দাৰ ৰূপী দালালে শ্ৰমিকক বাছত ভৰাই উজনিলৈ নি আছিল। উজনিৰ ইটাভাটালৈ নি থকাৰ সময়তে শ্ৰমিক নিয়া বাছ আবদ্ধ কৰে সহস্ৰাধিক ৰাইজে। এনে সময়তে ৫ বছৰীয়া ৯ বছৰীয়া পুত্ৰ-কন্যাক লগত লৈ উজনি অসমৰ বিভিন্ন প্ৰান্তৰ ইটাভাটাত কাম কৰাৰ উদ্দেশ্যে বাছত উঠি যাত্ৰা কৰাত ৰাইজ উত্তেজিত হয়। আগভেটা দি বাছ ৰখাই একাংশ দল-সংগঠনৰ নেতাই কয় যে অভিভাৱকসকলে সন্তানক তিনিমাহ ইটাভাটাত ৰাখি কাম কৰিব। ফলত সন্তানৰ কি হ'ব। পঢ়া বৰবাদ হ'ব। কণ কণ শিশুৰ ভৱিষ্যত কি হ'ব বুলি প্ৰশ্ন কৰিছে সংগঠনৰ নেতাসকলে। স্থানীয় আৰক্ষী বিষয়া উপস্থিত হৈ স্থানীয় নেতাসকলৰ সৈতে তৰ্কা-তৰ্কিত লিপ্ত হয়। শিশুৰ ভৱিষ্যত ধ্বংস কৰাৰ প্ৰশ্ন উত্থাপন কৰাত স্থানীয় আৰক্ষী বিষয়াই সন্তানৰ দায়িত্ব নেতাসকলে ল'ব নেকি বুলি প্ৰশ্ন কৰে? আৰক্ষী বিষয়াৰ এনে প্ৰশ্নত বিব্ৰত নেতাসকলে কয় যে যদি আৰক্ষী বিষয়াই এনে কথা কয় তেন্তে শিশুৰ ভৱিষ্যতৰ বাবে থকা আইনখনৰ কি হ'ব। আৰক্ষী বিষয়াজনক উভতি ধৰি খোদ আইনৰ মানুহে এনে কথা কোৱাত ধিক্কাৰ দি সমাজ কল্যাণ বিভাগৰ শিশু সুৰক্ষা বিষয়াক মাতিব লাগিছিল বুলি কয় নেতাসকলে। ধিং ধৰ্ষণ কাণ্ডৰ আলম লৈ উজনি অসমৰ বিভিন্ন ঠাইত একাংশ শ্ৰমিকক শাৰীৰিক অত্যাচাৰ কৰা হৈছিল। প্ৰাণৰ মমতাত পলায়ন কৰিছিল শ্ৰমিকসকল। কিন্তু পৰিস্থিতি ক্ষান্ত হোৱাত উজনিৰ ইটাভাটাৰ মালিকে উজনিৰ নতুনকৈ ঘৰ বান্ধিবলগীয়া লোকৰ স্বাৰ্থত এইবাৰ নামনি অসমত শ্ৰমিকৰ চিণ্ডিকেট চলাইছে বুলি অভিযোগ উত্থাপিত হৈছে।

# জুতি লগা খাদ্য সম্ভাৰেৰে গুৱাহাটীৰ হোটেল নভোটেলত দুৰ্গোৎসৱৰ বতৰত মহাভোজ

**গুৱাহাটী, ৮ অক্টোবৰঃ** শাৰদীয় দুৰ্গোৎসৱত খাদ্য ৰসিকসকলৰ বাবে মহাভোজৰ আয়োজন কৰিছে গুৱাহাটীৰ নভোটেল হোটেলে। হোটেলখনৰ বাংলা থিম বুফে ডিনাৰৰ বাবে আমন্ত্ৰণ জনাই হোটেল কৰ্তৃপক্ষই কয় পূজাৰ বতৰত ৯-১২ অক্টোবৰলৈ সন্ধিয়া ৭ বজাৰ পৰা ১১ বজালৈ অতিথিসকলে ৰেস্তোঁৰা দ্য স্কোৱাৰত জুলি ল'ব পাৰিব বংগৰ পৰম্পৰাগত পদ্ধতিৰে প্ৰস্তুত কৰা এই বিশেষ খাদ্য সম্ভাৰ। নভোটেলৰ প্ৰতিভাৱান বাংলা চেফ লালটু সাহাই প্ৰস্তুত কৰা মহাভোজত অতিথিসকলে আমেজ ল'ব পাৰিব পৰম্পৰাগত বাংলা সুস্বাদু খাদ্যৰ। বংগৰ প্ৰসিদ্ধ মাছৰ ঝোলৰ পৰা আৰম্ভ কৰি সুগন্ধি বাসন্তী পোলাও  আৰু গুড় পায়স, ৰসগোল্লাৰ দৰে মিঠাইৰ সোৱাদ ল'ব পাৰিব। প্ৰতিদিনে পৃথকে পৃথকে লুচিৰ সৈতে কোছা মাংস, বেকড মিষ্টি দৈ, চোলাৰ দাল, আলুৰ ডম আৰু লুচি, ভাপত দিয়া চিংৰা, মটন ডাক বাংলো, ছ'ৰচে দিয়ে মাছ, বেগুনি, পোলাও, ৰসগোল্লা, ৰাজভোগ, সন্দেশ, মালপোৱা, ৰসমলাই আৰু পায়সৰ দৰে খাদ্যসম্ভাৰ উপলদ্ধ কৰা হ'ব। প্ৰতিবিধ ব্যঞ্জনে খাদ্যপ্ৰেমী অতিথিসকলক বাংলাৰ সুস্বাদু খাদ্যসম্ভাৰৰ অনন্য সোৱাদ দিব বুলি উল্লেখ কৰিছে কৰ্তৃপক্ষই। উল্লেখ্য যে, এই মহাভোজৰ সময়ছোৱাত পৰম্পৰাগত সজ্জা আৰু পোনপটীয়া সাংস্কৃতিক পৰিবেশন পৰিৱেশ দুগুণ মধুৰ কৰি প্ৰতিজন অতিথিত অতুলনীয় অভিজ্ঞতা প্ৰদান কৰিব বুলি কয় কৰ্তৃপক্ষই। হোটেলৰ পৰিচালক মনমীত সিঙে বাংলা থিম বুফে ডিনাৰক লৈ উৎসাহী হৈ কয় যে দুৰ্গা পূজাৰ উৎসৱৰ বতৰত যোগাত্মক শক্তিৰে সমগ্ৰ চহৰখন মগন হৈ থাকিব। সেই সময়ত নভোটেলে উৎসৱমুখৰ পৰিবেশত এই ব্যৱস্থা কৰিছে। উৎসৱৰ উন্মাদনা, ঐক্য, মংগল, প্ৰেম আৰু পৰম্পৰাৰ ৰক্ষা কৰি খাদ্য সম্ভাৰৰ জুতি ল'বলৈ বিশেষ ৰন্ধনযাত্ৰা প্ৰস্তুত কৰিছো বুলিও কয় সিঙে। শাৰদীয় দুৰ্গা পূজাৰ বতৰত পৰম্পৰাগত খাদ্যৰ ল'বলৈ জি এছ ৰোডস্থিত নভোটেল আপুনিও আহিব পাৰে। কৰ্তৃপক্ষই কয় যে গুৱাহাটীৰ নভোটেলৰ বাংলা থিম বুফে ডিনাৰত আসন সংৰক্ষণৰ বাবে আগতীয়া বুকিং চলি আছে। অধিক তথ্য তথা আগতীয়া বুকিংৰ বাবে ৭৫৭৭৮৮৪০২২ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি জানিবলৈ দিছে।

# পুৰণিগুদাম প্ৰেছ ক্লাৱৰ শাৰদীয় শিশু গ্ৰন্থমেলা

**ই-সংবাদ, পুৰণিগুদাম, ৮ অক্টোবৰঃ** ‘পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক’ শীৰ্ষক বাণীৰে ১৯৯৬ চনৰ পৰা অনুষ্ঠিত হৈ অহা শাৰদীয় পুৰণিগুদাম শিশু গ্ৰন্থমেলা অহা ১০ অক্টোবৰৰ পৰা ১২ অক্টোবৰলৈ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰাৰ প্ৰস্তুতি চলিছে। প্ৰেছ ক্লাৱৰ উদ্যোগত প্ৰয়াত সাংবাদিক নীলাভজ্যোতি হাজৰিকা ক্ষেত্ৰত অনুষ্ঠিত হ'বলগীয়া শিশু গ্ৰন্থমেলাৰ কাৰ্যসূচী অনুসৰি ১০ অক্টোবৰৰ পুৱা ৯ বজাত পুৰণিগুদাম প্ৰেছ ক্লাৱৰ পতাকা উত্তোলন কৰিব পুৰণিগুদাম প্ৰেছ ক্লাৱৰ সভাপতি তপন কটকীয়ে আৰু পুৰণিগুদাম শিশু গ্ৰন্থমেলা উদযাপন সমিতিৰ পতাকা উত্তোলন কৰিব গ্ৰন্থমেলা উদযাপন সমিতিৰ সভাপতি মণিমাধৱ মহন্তই। পুৱা ৯-৩০ বজাত শ্ৰদ্ধাঞ্জলী অনুষ্ঠানত প্ৰয়াত সাংবাদিক জয়ন্ত ভূঞা, দিগন্ত ভূঞা, ধনটি হীৰা আৰু নীলাভ জ্যোতি হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব চাৰিওগৰাকী সাংবাদিকৰ পৰিয়ালবৰ্গই। পুৱা দহ বজাত গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব বড়মপুৰ বিধানসভা সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। পুৱা ১০-৩০ বজাত ‘সকলোৱে পাব পুৰস্কাৰ’ শীৰ্ষক চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। প্ৰতিযোগিতাৰ তত্বাৱধায়ক বিপুল কুমাৰ বৰা, শৰৎ বৰুৱা, ৰাজেন বৰা আৰু পুলিন কটকীয়ে। অনুষ্ঠান পৰিচালনা কৰিব শিশুবন্ধু দুলাল বৰাই। সন্ধ্যা চাৰি বজাত পুৰণিগুদাম কবি সন্মিলনৰ সৌজন্যত কবিতা পাঠৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধ্যা ছয় বজাত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই। ৰুদ্ৰ বৰুৱা সংগীত একাডেমী আৰু নটৰাজ নৃত্য সাধনা কেন্দ্ৰই সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিব। ১১ অক্টোবৰৰ বিয়লি ৩ বজাত শিশুসকলৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা, বিয়লি ৪-৩০ বজাত শিশুসকলৰ মাজত আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধ্যা ছয় বজাত অনুষ্ঠিত হ’বলগীয়া সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰিব ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ। অংগাভিনয় অসম, স্বস্তিকা যোগ বিদ্যাপীঠ আৰু চামগুৰিৰ ফ্লৰেন্স একাডেমীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিব। ১২ অক্টোবৰৰ বিয়লি চাৰি বজাত মুকলি কুইজ অনুষ্ঠানটো সঞ্চালনা কৰিব ৰাজীৱ গোস্বামীয়ে। অনুষ্ঠান আঁতধৰিব কুলপ্ৰদীপ দাসে। সন্ধ্যা ৭-১৫ বজাত মঞ্চ উদ্বোধন কৰিব বিশিষ্ট সমাজকৰ্মী দিপ্লুৰঞ্জন শৰ্মাই।

## গিবন অভয়াৰণ্য ৰক্ষা কৰাৰ দাবীত আঁকা চিত্ৰ দিলে মচি

# শিল্পীৰ প্ৰতিবাদৰ ভাষালৈ ভয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ

**ই-সংবাদ, ৮ অক্টোবৰঃ** শিল্পীৰ প্ৰতিবাদৰ ভাষাক ভয় কৰা হৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। শিল্পীৰ দেৱাল লিখনক ভয় কৰা চৰকাৰে দেৱালৰ পৰা শিল্পীয়ে অংকন কৰা চিত্ৰ মচি পেলোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দিনত দেৱালত অংকন কৰা চিত্ৰ নিশা মোহাৰি পেলায় প্ৰশাসনে। এই চিত্ৰখন অংকন কৰা হৈছিল গণেশগুৰিৰ উৰণীয়া সেঁতুৰ তলত। ‘কিক আউট বেদান্ত, ছেভ হোলোং গিবন’। মাথো ইংৰাজীত লিখা এটা শাৰী আৰু সেই শাৰীটোৰ কাষত এটা অসমৰ আপুৰুগীয়া সম্পদ গিবন হলৌ বান্দৰ। গিবন অভয়াৰণ্য ৰক্ষা কৰাৰ দাবীত আঁকা চিত্ৰখনৰ দ্বাৰা গিবন অভয়াৰণ্যৰ ভিতৰত খননৰ দায়িত্ব লাভ কৰা বেদান্ত নামৰ পুঁজিপতি সংস্থাক বাহিৰ কৰি গিবনক ৰক্ষা কৰাৰ দাবী উত্থাপন কৰিছিল। দেৱালত প্ৰতীকাত্মক চিত্ৰ অংকন কৰি এজন শিল্পীয়ে প্ৰতিবাদ কৰিছিল। চিত্ৰ অংকনৰ নেতৃত্ব দিছিল জাতীয় যুৱ বাহিনীয়ে। কিন্তু চৰকাৰে দেৱালত আঁকা চিত্ৰখনত এনেকৈয়ে ভয় খালে যে নিশাৰ ভিতৰতে মোহাৰি চিন-চাব নোহোৱা কৰি পেলালে। সামাজিক মাধ্যমত আঁকা চিত্ৰখন ভাইৰেল হৈছিল। তাৰ পাছতে মহানগৰ জিলা প্ৰশাসনে তাক মচি পেলায়। শিৱসগাৰৰ বিধায়ক অখিল গগৈয়ে এই কাণ্ডক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। গগৈয়ে কয় যে পৰিৱেশ সুৰক্ষাৰ বাবে ডাঙৰ ডাঙৰ কথা কোৱা হিমন্ত বিশ্ব শৰ্মা চৰকাৰে সহ্য কৰিব নোৱাৰে এইবোৰ কথা! গিবনৰ সুৰক্ষাৰ বাবে গণেশগুৰিত জাতীয় যুৱ বাহিনীৰ সহযোগত চিত্ৰশিল্পী মাৰ্চেল বৰুৱাই অংকন কৰা ছবিখন মচি পেলালে প্ৰশাসনে। কোটি কোটি টকা খৰচ কৰি গছপুলি ৰোপন কৰা হিমন্ত বিশ্ব শৰ্মা চৰকাৰ পৰিৱেশ সুৰক্ষাৰ প্ৰতি কিমান দায়বদ্ধ এইবোৰ কথাৰ পৰাই স্পষ্ট নহয়নে? উল্লেখ্য যে, অসমখনৰ অভয়াৰাণ্য কেইখন অসমৰ আত্মাস্বৰূপ। কিন্তু এনে আত্মাক চিৰা-চিৰি কৰিবলৈ অনুমতি দিছে চৰকাৰে। ৰাজ্যবাসীৰ আবেগ জড়িত গিবন অভয়াৰণ্যত বেদান্ত কোম্পানীক তেল আৰু প্ৰাকৃতিক গেছ খননৰ অনুমতি দিয়া হৈছে।






এই খবৰ লাভ কৰি স্তম্ভিত বিভিন্ন দল-সংগঠন। উল্লেখ্য যে, ৰোহিত চৌধুৰী নামৰ আৰটিআই কৰ্মীয়ে আবেদন কৰা আৰটিআইত গিবন অভয়াৰণ্যত বেদান্ত কোম্পানীক তেল আৰু প্ৰাকৃতিক গেছ খনন কৰিব দিয়াৰ তথ্য ওলাই পৰিছিল। ৰোহিত চৌধুৰীৰ ৰাজহুৱা কৰা তথ্য মতে, ২০১৮ চনৰ ৭ মে’ত ড্ৰাফ্ট নটিফিকেচন ওলাইছিল। তাত উল্লেখ আছিল যে গিবনত সকলো ধৰণৰ খনন কৰিব নোৱাৰিব। ব্যৱসায়িক ভিত্তিত খনন হ’ব নোৱাৰে। ব্যৱসায়িক প্ৰতিষ্ঠান, ইটাভাটা হ’ব নোৱাৰে। তেতিয়াই ৬০ দিনৰ ভিতৰত জনসাধাৰণক ওজৰ-আপত্তি উত্থাপনৰ সময় দিছিল। কিন্তু সেই কথা ৰাইজে অৱগত নোহোৱাত ৬০ দিনত একো ওজৰ-আপত্তি নজনালে। শেহতীয়াকৈ চূড়ান্ত নটিফিকেচন ওলাইছে। চূড়ান্ত নটিফিকেচনত বেদান্ত কোম্পানীক তেল আৰু প্ৰাকৃতিক গেছ খননৰ অনুমতি দিয়া হৈছে। যাৰ বিৰুদ্ধে ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে।

# জাগীৰোডৰ অবৈধ পাহাৰ খননৰ বিৰুদ্ধে স্মাৰক পত্ৰ বীৰ লাচিত সেনাৰ

**ই-সংবাদ, মৰিগাঁও, ৮ অক্টোবৰঃ** উদ্যোগ নগৰী হিচাপে পৰিচিত মৰিগাঁও জিলাৰ জাগীৰোডত অবাধ গতিত চলি থকা পাহাৰ খননৰ বিৰুদ্ধে প্ৰতিবাদ মুখৰ হৈ পৰিছে বীৰ লাচিত সেনা অসমৰ জাগীৰোড আঞ্চলিক সমিতি। জাগীৰোডত অবাধ গতিত আৰু ব্যাপক ভাবে চলি থকা এই পাহাৰ খনন কাৰ্য শীঘ্ৰেই প্ৰতিৰোধ কৰিবলৈ আজি সংগঠনটোৰ সভাপতি অৰূপ বৰা আৰু মুখ্য সচিব জুন বৰা নেতৃত্বত এটি সজাতি দলে মৰিগাঁৱৰ জিলা আয়ুক্তলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। মূলতঃ দুটা দাবী সম্বলিত এই স্মাৰক পত্ৰখন জিলাখনৰ অতিৰিক্ত আয়ুক্ত পল্লৱী কছাৰী জৰিয়তে জিলা আয়ুক্তলৈ প্ৰেৰণ কৰি হয়। এই স্মাৰক পত্ৰত উল্লেখ কৰে যে ৰাজকোষৰ পৰা কোটি কোটি টকাৰ ৰাজহ খৰছ কৰি প্ৰাকৃতিক ভাৰসাম্য আৰু সৌন্দৰ্য বৰ্ধনৰ বাবে চৰকাৰী ভাবে বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ন কৰি থকা হৈছে। এনে স্থলত দুস্কৃতিকাৰীৰ দ্বাৰা অবৈধ ভাবে পাহাৰ খনন আৰু বন ধ্বংস কাৰ্যক বীৰ লাচিত সেনা কেতিয়াও সহ্য নকৰে। জাগীৰোডৰ অবৈধ পাহাৰ খনন কাৰ্য তাৎক্ষণিক ভাবে বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণৰ লগতে ঐতিহ্যমণ্ডিত শিলচাং অঞ্চলত যাতে কোনো পধ্যেই পাহাৰ খননৰ বাবে অনুমতি প্ৰদান নকৰে তাৰ বাবে জিলা প্ৰশাসনক কঠোৰ হবলৈকো দাবী জনায়। আনহাতে স্থানীয় বিধায়ক তথা মন্ত্ৰী পীয়ুষ হাজৰিকাক এই বিষয়টোত তাৎক্ষণিক ভাবে হস্তক্ষেপ কৰি পাহাৰ খনন বন্ধ কৰিবলৈ সংগঠনটোৱে দাবী জনাইছে। আজিৰ এই স্মাৰক পত্ৰ প্ৰদান কাৰ্যসূচীত বীৰ লাচিত সেনাৰ মৰিগাঁও জিলা সমিতিৰ উপ-সভাপতি হিতেশ ডেকা আৰু মুখ্য সচিব দ্বীপমনি হীৰা উপস্থিত থাকে।

# নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱৰ প্ৰস্তুতি

**ই-সংবাদ, আমগুৰি, ৮ অক্টোবৰঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ এইবেলি শিৱসাগৰ জিলাৰ নামতিস্থিত শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত উদযাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। আজি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য তথা দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰণজিৎ বৰুৱাৰ পৌৰোহিত্যত মহাবিদ্যালয়খনৰ আলোচনা কক্ষত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এই সিদ্ধান্তত নামতিবাসীয়ে উৎফুল্লিত হোৱা বুলি প্ৰকাশ কৰি বিশ্ববিদ্যালয়খনৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। প্ৰায় ডেৰ শতাধিক ৰাইজৰ উপস্থিতি অনুষ্ঠিত সভাত বিশিষ্ট ব্যক্তিয়ে যুৱ মহোৎসৱক লৈ বক্তব্য প্ৰদান কৰে। **সভাখনত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তুলসী শেনচোৱাক সভাপতি, মহাবিদ্যালয়ৰ** উপাধ্যক্ষ ড০ নীলাক্ষি ফুকন বৰগোহাঁইক কাৰ্য্যকৰী সভাপতি আৰু অধ্যক্ষ ড০ ধ্ৰুৱজ্যোতি নাথক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উদযাপন সমিতি গঠন কৰাৰ লগতে কেইবাখনো উপ সমিতি গঠন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যাপক-কৰ্মচাৰীৰ লগতে অৱসৰী অধ্যাপক মোহিনী কুমাৰ মহন্ত, ড০ ৰঞ্জন ফুকন, গজেন কাকতি, প্ৰাক্তন উপাধ্যক্ষ ড০ নীলাক্ষি ফুকন বৰগোহাঁই, সদৌ অসম বিহু সুৰক্ষা সমিতিৰ সভাপতি লাচিত ফুকন, প্ৰাক্তন শিক্ষা বিষয়া ললিত দত্ত, শিক্ষাবিদ বদন চন্দ্ৰ দত্ত, সমাজকৰ্মী ক্ৰমে- নাথু দত্ত, নাছেৰ খান চৌধুৰী, সঞ্জয় গগৈ, অসীম দত্ত, জাকিৰ হুচেইন, নামতি প্ৰেছ ক্লাৱৰ হৈ সম্পাদক জিয়াৰুদ্দিন আহমেদ, শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ বিষয়-ববীয়া, আটাছুৰ বিষয়-ববীয়া, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ, নামতি ব্যৱসায়ী সন্থা, জ্যেষ্ঠ নাগৰিক সন্থাৰ বিষয়-ববীয়াসকল উপস্থিত থাকে।



# ৰঙিয়াত পূজা সমিতিক চেক বিতৰণ ভবেশ কলিতাৰ

**ই-সংবাদ, ৰঙিয়া, ৮ অক্টোবৰঃ** ৰাজ্য চৰকাৰে তিনি বছৰ অতিক্ৰম কৰা অসমৰ পূজা সমিতিলৈ ১০ হাজাৰ টকাৰ এককালিন অনুদান আগবঢ়াই আহিছে। ৰঙিয়াৰ বিভিন্ন প্ৰান্তৰ মুঠ ৪৫খন পূজা পৰিচালনা সমিতিক ধনৰাশিৰ বিতৰণ কৰা হয়। ৰঙিয়াৰ হৰদত্ত-বীৰদত্ত ভৱনত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত চেকসমূহ বিতৰণ কৰে ৰঙিয়াৰ স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই। অনুষ্ঠানটোত পূজা সমিতিসমূহৰ সভাপতি আৰু সম্পাদকে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত অনুপস্থিত থকা পূজা সমিতিসমূহলৈ পূজাথলীত চেকসমূহ প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে বিধায়কগৰাকীয়ে। ইফালে ভাষণ প্ৰসঙ্গত বিধায়ক ভবেশ কলিতাই পূজা উপলক্ষে প্লাষ্টিকৰ সলনি কলপাত, কলগছৰ পৰা প্ৰস্তুত কৰা কলপটুৱা ব্যৱহাৰৰ বাবে সমিতিসমূহলৈ আহ্বান জনায়। প্ৰাকৃতিক সামগ্ৰীসমূহ এটা সময়ত প্ৰকৃতিৰ সৈতে মিলি যায়। কিন্তু প্লাষ্টিক মাটিৰ লগত মিহলি নহয়। প্লাষ্টিক যতে ততে পৰি থাকে বাবে কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। প্লাষ্টিক পুৰি পেলালে প্ৰদূষণ হয়। সেয়েহে সকলোৰে প্লাষ্টিক মুক্ত পূজা পালন কৰা উচিত। ৰঙিয়া সমজিলাৰ আয়ুক্ত দেৱাশিষ গোস্বামী, পৌৰপতি অমৰেন্দ্ৰ লহকৰ উপস্থিত থাকে।

# নগাঁৱৰ পশ্চিমাঞ্চলত শাৰদীয় দুৰ্গোৎসৱৰ প্ৰস্তুতি

## সাজু সকলো পূজা মণ্ডপ

**ই-সংবাদ, বেবেজীয়া, ৮ অক্টোবৰঃ** কাইলৈ ষষ্ঠীত প্ৰতিষ্ঠা হ'ব মা দূৰ্গাৰ প্ৰতিমা। তাৰ লগে লগেই দশমী ধৰি সৰ্বত্ৰে বিয়পি পৰিব দুৰ্গা পূজাৰ পাৰভগা উছাহ। সেয়ে শাৰদীয় দুৰ্গা পূজাৰ বাবেই এতিয়া সমগ্ৰ ৰাজ্যৰ চৌদিশে বিৰাজ কৰিছে আনন্দমুখৰ পৰিবেশ। শৰতৰ সুমধুৰ পৰিৱেশৰ মাজত শক্তিৰ দেৱীক পূজিবলৈ সৰ্বত্ৰে একপ্ৰকাৰে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে পূজাৰ আয়োজন সমিতিবোৰে। অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যাধিক মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণ ৰাইজক সমস্যাত পেলালেও পূৰ্ণোদমে এইবেলি শাৰদী ৰাণীক পূজা কৰিবলৈ সাজু হৈছে ৰাজ্যৰ সৰ্বস্তৰৰ লোক। ইয়াৰ ব্যতিক্ৰম নহয় নগাঁও জিলাও। জিলাখনৰ চহৰ কিম্বা গাঁও সকলোতে এতিয়া দেখা গৈছে দুৰ্গোৎসৱৰ ব্যাপক আনন্দ-উছাহ। তদ্ৰুপ জিলাখনৰ বিভিন্ন প্ৰান্তৰ দৰে পশ্চিম নগাঁৱৰ গ্ৰামাঞ্চলবোৰটো বিয়পি পৰিছে পূজাকেন্দ্ৰীক আনন্দৰ ঢৌ। জিলাখনৰ বেবেজীয়াকে প্ৰমুখ্য কৰি ইয়াৰ দাঁতি কাষৰীয়া জামুগুৰি



চাৰিআলি, কাকমাৰী চাৰিআলি, জাজৰিৰ দলৈগাঁও, মাজগাঁও, দলংঘাটৰ ষষ্ঠদশ অসম আৰক্ষী বেটেলিয়নৰ মূখ্য কাৰ্যালয়, চকলাঘাটৰ সোনাইপাৰ গৌৰীনাথ মন্দিৰ, দক্ষিণপাট, ম'হমৰীয়া, শেনচোৱা, মধুপুৰ, নৰ্নৈ আদি অঞ্চলত পূৰ্বৰ বৰ্ষবোৰৰ দৰে এইবাৰো দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। সেয়ে এই পূজাস্থলীসমূহ আয়োজন সমিতিয়ে সজাই-পৰাই তোলাৰ বিপৰীতে পূজাস্থলীৰ আশে-পাশে ব্যৱসায়ীসকলে বিভিন্ন বিপনী বহোৱাই পৰিবেশ মনোমোহা কৰি তোলা দেখা গৈছে। পূজাৰ দিনকেইটাত পৰম্পৰাগত পূজা-অৰ্চনাৰ লগতে দিহানাম, ভক্তিমূলক গীত, নৃত্য আৰু সাংস্কৃতিক অনুষ্ঠান আদিৰ দিহা কৰা হৈছে বুলি জানিব পৰা গৈছে।

# ইতিহাস বিকৃত নকৰিবলৈ সকীয়নি তিৱা ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল সংগঠনৰ

**ই-সংবাদ, মৰিগাঁও, ৮ অক্টোবৰ :** মধ্য অসমৰ ইতিহাসৰ অন্যতম অধ্যায় ঐতিহাসিক পাঁচো ৰজা-সাতোৰজাক কেন্দ্ৰ কৰি ৰাজ্যখনৰ দুটাকৈ জনগোষ্ঠীৰ মধ্য অসমৰ নেতৃত্বৰ মাজত এক টনা আজোৰা আৰম্ভ হৈছে। ঐতিহাসিক পাঁচো ৰজাৰ টুপাকুচি ৰাজ্যৰ ৰাজ পৰিয়ালৰ অজিত সিংহ ডেকাক শেহতীয়াকৈ অভিষেক পাতি ৰজাৰূপে ঘোষণা কৰাৰ পিছতেই আৰম্ভ হৈছে এই বিতৰ্কৰ।উল্লেখ্য যে, আহোম আৰু তিৱা (লালুং) ৰজাৰ সন্ধিমতে ৰহিয়াল বৰুৱাৰ অধীনত পাছো ৰজা আৰু জাগীয়াল গোহাঁইৰ অধীনত সাতো ৰজা নিযুক্তি দি প্ৰশাসনৰ লগতে বহাগৰ প্ৰথমৰ পৰা কৰ কাটল ৰনুৱা আদি আহোম ৰজাই সংগ্ৰহ কৰিছিল। কালক্ৰমত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ পিছত ৰজাৰ সকলো ধৰণৰ প্ৰশাসনিক ক্ষমতা সমূহ নোহোৱা হৈ পৰিল যদিও উক্ত ব্যৱস্থাটো সাংস্কৃতিক অনুষ্ঠান তথা মেলালৈ ৰূপান্তৰিত হল। পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি আজিও উক্ত অঞ্চল সমূহত এজন ৰজাৰ পিছত ৰাজ পৰিয়ালৰে আন এজনক পৰম্পৰাগত ভাবে ৰজা অভিষেক পাতি ৰজা ঘোষণা কৰা হয়। সেইদৰে পাঁচো ৰজা-সাতোৰজাৰ ৰাজ্যৰ অন্তৰ্গত ৰহাৰ সমীপৰ টুপাকুচি ৰাজ্যৰ ৰজা তিকেন্দ্ৰজিৎৰ বংশধৰ অজিত সিংহ ডেকাক পৰম্পৰাগত ৰীতি নীতিৰে ৰাজ অভিষেক পাতি ৰজা ঘোষণা কৰা হয়। অজিত সিংহ ডেকাক পৰম্পৰাগত নীতি নিয়মেৰে ৰাজ তিলক পিন্ধাই ৰাজ তৰোৱাল হাতত তুলি দিয়া এই অনুষ্ঠানত সৰাগাঁও, বাৰপুজীয়া, মিকিৰগাঁও আদিৰ প্ৰতীকী ৰজা সকলৰ লগতে মধ্য অসম কোচ ৰাজবংশী ছাত্ৰ সন্থা, কোচ ৰাজবংশী সন্মিলনৰ বহুকেইজন কেন্দ্ৰীয় নেতা উপস্থিত আছিল। উল্লেখ্য যে, উক্ত ৰাজ পৰিয়ালটো মূলতঃ তিৱা জনগোষ্ঠীৰ যদিও পৰৱৰ্তী সময়ত কোচ ৰাজবংশীয় কৃষ্টি সংস্কৃতি গ্ৰহণ কৰিছিল। ইয়াৰ অছিলা লৈ সমগ্ৰ ৰাজ অভিষেক অনুষ্ঠানটোৱে মধ্য অসমৰ কোচ ৰাজবংশীয় পৰম্পৰাগত অনুষ্ঠান বুলি প্ৰচাৰ চলাৰ পাছতেই ক্ষুন্ন হৈ উঠিছে তিৱা জনগোষ্ঠীয় বৌদ্ধিক মহল। তিৱা স্বায়ত্ব পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তাই কয় যে টুপাকুচি ৰাজ্য খন ঐতিহাসিক ভাবে তিৱা ৰাজ্যৰ। গতিকে এনেকৈ ইতিহাস বিকৃতি কোনো পধ্যেই মানি লোৱা নহব। ইফালে সদৌ তিৱা ছাত্ৰ সন্থা (এটছু)ৰ মুখ্য উপদেষ্টা বিমল আমচিয়ে এনে দৰে ইতিহাস বিকৃত হোৱা ঘটনা অত্যন্ত চিন্তনীয় কাৰ্য আখ্যা দি এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ সংশ্লিষ্ট সকলক আহ্বান জনায়। আনহাতে মৰিগাঁও জিলাৰ বিভিন্নজনে জনগোষ্ঠীটোৰ ইতিহাস বিকৃত কৰণক লৈ দুখ ব্যক্ত কৰিছে।

# নাবালিকাক যৌন আতিশয্য চলাই পলাই ফুৰা শিক্ষকক নিলম্বন

**ই-সংবাদ, কোকৰাঝাৰ, ৮ অক্টোবৰঃ** পাঁচজনকৈ নাবালিকা ছাত্ৰীক যৌন আতিশয্য চলাই বিগত এপযেক ধৰি পলাতক হৈ থকা কোকৰাঝাৰ চহৰৰ সমীপৱৰ্তী বৰো ভদেয়াগুৰি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ওমৰ আলী শ্বেখক অৱশেষত বিটিচিৰ শিক্ষা বিভাগে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ নিলম্বিত কৰিছে। জানিবপৰা মতে অতি প্ৰতিপত্তিশীল শিক্ষকগৰাকীয়ে নিজৰ বিদ্যালয়ৰে পাঁচগৰাকীকৈ ছাত্ৰীক যোৱা জুন মাহৰ পৰাই ভয় দেখুৱাই যৌন আতিশয্য চলাই আহিছিল। উক্ত ঘটনা সন্দৰ্ভত যোৱা ২৩ ছেপ্টেম্বৰত সকলো তথ্য পোহৰলৈ অহাৰ পাছতে শিক্ষকগৰাকীয়ে ঘটনাটো গাপ দিয়াৰ বাবে বিভিন্ন মহলক মেনেজ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলায় যদিও পাছত বিফল হৈ আত্মগোপন কৰে। যোৱা ২৫ ছেপ্টেম্বৰত কোকৰাঝাৰ থানাত শিক্ষকগৰাকীৰ বিৰুদ্ধে ২২৩/২৪ নম্বৰত গোচৰ পঞ্জীয়ন হৈছিল। যোৱা ২৪ছেপ্তেম্বৰৰ পৰা পলাতক হৈ থকা শিক্ষকজনক বিটিচি শিক্ষা বিভাগৰ সঞ্চালক জ্যোতি প্ৰসাদ ব্ৰহ্মই স্বাক্ষৰিত চিঠি নম্বৰ DE/BTC/Gen1-1/enquiry/2021/462 যোগে যোৱা চাৰি অক্টোবৰতে নিলম্বিত কৰে। ইয়াৰোপৰি উক্ত ঘটনাৰ পিছৰে পৰা ইমানদিনে পলাতক অৱস্থাত থকা শিক্ষকগৰাকীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিব নোৱাৰাত। গঞ্জা ৰাইজৰ লগতে ভুক্তভোগী পৰিয়ালৰ লোকেও ক্ষোভ প্ৰকাশ কৰে। উল্লেখ্য যে, অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ অধ্যক্ষ ডঃ শ্যামল শইকীয়াৰ নেতৃত্বত তিনিজনীয়া আয়োগৰ এটা দলে যোৱা চাৰি অক্টোবৰৰ পৰা কোকৰাঝাৰত বাহৰ পাতি ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰে। বিগত সময়ছোৱাত হাত সাবতি বহি থকা শিক্ষা বিভাগে আয়োগৰ দল কোকৰাঝাৰত উপস্থিত হোৱাৰ উমান পাই শিক্ষকজনৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লবলৈ বাধ্য হয়। অথচ আৰক্ষীয়ে শিক্ষকজনৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন হোৱাৰ পাছতে শিক্ষা বিভাগলৈ পত্ৰ প্ৰেৰণ কৰিছিল। ৯ দিনৰ মূৰতহে শিক্ষা বিভাগে ব্যৱস্থা গ্ৰহণ কৰে। আনপিনে বিদ্যালয়খনৰ প্ৰধান শিক্ষকজন পলাতক হৈ থকাৰ পাছৰে পৰা বিদ্যালয়খনৰ শৈক্ষিক ব্যৱস্থা অচল হৈ পৰে। ৪০ জনৰো অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়খনৰ দুজনেই মাত্ৰ শিক্ষক। প্ৰধান শিক্ষকজন অপকৰ্মত লিপ্ত হৈ পলাই থকাত এজনীয়া শিক্ষককেৰে বিদ্যালয়খন চলাবলগীয়া হোৱাত শৈক্ষিক ব্যৱস্থাটোৱে বিনষ্ট হৈ পৰিছে। গঞ্জা ৰাইজে শীঘ্ৰে বিদ্যালয়খনত এগৰাকী মহিলা শিক্ষক নিযুক্তি দিবলৈ দাবী জনাইছে।

# বিলাসীপাৰাত সাংবাদিক মঞ্চৰ প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, বিলাসীপাৰা, ৮ অক্টোবৰঃ** সমগ্ৰ অসমৰ লগতে সদৌ অসম সাংবাদিক মঞ্চৰ বিলাসীপাৰা জিলা সমিতিয়ে কেন্দ্ৰীয় সমিতিৰ প্ৰথম প্ৰতিষ্ঠা দিৱস পালন কৰে। বিলাসীপাৰা চহৰস্থিত ড০ বি আৰ আম্বেদকাৰৰ ভৱনত পালন কৰা প্ৰতিষ্ঠা দিৱসত সদৌ অসম সাংবাদিক মঞ্চ বিলাসীপাৰা জিলা সমিতিৰ সভাপতি ফৰিজ উদ্দিন আহমেদৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাত বিলাসীপাৰাৰ জ্যেষ্ঠ সাংবাদিক দয়াল পাল, সমাজ সেৱক ডা০ কানুলাল দাস, অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ প্ৰাক্তন সভাপতি আফছিদুল ইছলাম মণ্ডল, ধুবুৰী জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সাধাৰণ সম্পাদক আশ্ৰাফুল ইছলাম, সাধাৰণ সম্পাদক জিয়াউল আলম আৰু বিভিন্ন গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# ধৰ্মপ্ৰাণা মহিলা দ্ৰোৰ্ণেশ্বৰী গগৈৰ দেহাৱসান



**ই-সংবাদ, সৰুপথাৰ, ৮ অক্টোবৰঃ** উৰিয়ামঘাট আৰক্ষী থানাৰ অন্তৰ্গত ১নং ৰজাপুখুৰী পাঁচঘৰীয়া গাঁৱৰ ধৰ্মপ্ৰাণ, সৰবৰহী মহিলা দ্ৰোৰ্ণেশ্বৰী গগৈয়ে ৯০ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। বাৰ্ধক্যজনিত কাৰণত যোৱা নিশা প্ৰায় ২:৩০ বজাত নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতে ছয়গৰাকী কন্যা, দুজন পুত্ৰ, ভালেসংখ্যক নাতি-নাতিনীক ইহসংসাত এৰি থৈ যায়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সভা-সমিতিত সততে আগভাগ লোৱা দ্ৰোৰ্ণেশ্বৰী গগৈৰ মৃত্যুত ৰজাপুখুৰী পাঁচঘৰীয়া অঞ্চলত শোকৰ ছাঁ পৰে।

# নগাঁৱত হৰেক ৰকমৰ খেলনা সামগ্ৰীৰে ভৰি পৰিছে পূজাৰ বজাৰ

**ই-সংবাদ, বেবেজীয়া, ৮ অক্টোবৰঃ** দুৰ্গতিনাশিনী দুৰ্গা দেৱীক আৰাধনা কৰাৰ প্ৰচলিত প্ৰথাৰে যুগ যুগ ধৰি পালন কৰি অহা হৈছে শাৰদীয় দুৰ্গোৎসৱ। শেৱালী আৰু নিয়ৰৰ শুভ্ৰ আবেদনময় শিহৰণত দেহ-মন উজ্জীৱিত কৰি ৰখা এই শাৰদীয় মনোমোহা বতৰত সম্প্ৰতি নগাঞাৰ মাজত বিয়পি পৰিছে পূজাকেন্দ্ৰীক আনন্দ-উল্লাস। সৰ্বত্ৰে দেখা গৈছে শাৰদীয় উৎসৱৰ উৎসাহ-উদ্দীপনা। বৰ্তমান সমগ্ৰ ৰাজ্যতে চলি থকা অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে পূজাৰ আনন্দ-উৎসাহ কিছু পৰিমাণে ম্লান কৰিলেও বৃহত্তৰ নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ পূজাৰ মণ্ডপসমূহত সৃষ্টি হৈছে উদুলি-মুদুলি পৰিৱেশ। ইয়াৰ বিপৰীতে দোকান-পোহাৰবোৰ জাকজমককৈ সজাই তুলিছে ব্যৱসায়ীসকলে। সম্প্ৰতি জিলাখনৰ বিভিন্ন প্ৰান্তৰ বজাৰ-সমাৰত বৰ্হিঃৰাজ্য আৰু বিদেশী নানা প্ৰকাৰৰ সামগ্ৰীৰে ভৰি পৰা দেখা গৈছে। বিশেষকৈ নগাঁও চহৰকে প্ৰমুখ্য কৰি জিলাখনৰ আন বাণিজ্যিক কেন্দ্ৰ স্থলত থকা বহু ব্যৱসায়িক প্ৰতিষ্ঠানত অন্য বহু সামগ্ৰীৰ লগতে পুতলা, বেলুন, পিষ্টল আদি হৰেক ৰকমৰ খেলনা সামগ্ৰী উভৈনদী হৈ পৰিছে।

# পুৰণিগুদামত গুৰুজনাৰ জন্ম জয়ন্তী পালনৰ ব্যাপক প্ৰস্তুতি



**ই-সংবাদ, পুৰণিগুদাম, ৭ অক্টোবৰঃ** নগাঁও জিলাৰ পুৰণিগুদাম পাৰঘাটস্থিত শ্ৰীমন্ত শংকৰদেৱ থান প্ৰাংগণত অহা ১২, ১৩ আৰু ১৪ অক্টোবৰত তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে গুৰুজনাৰ ৫৭৬ সংখ্যক জন্ম জয়ন্তী পালনৰ পালনৰ ব্যাপক প্ৰস্তুতি চলাই থকা পৰিলক্ষিত হৈছে। ৭৫ বছৰত ভৰি দিয়া এই অনুষ্ঠান শংকৰদেৱ থান আৰু পুৰণিগুদাম কৃষ্টি বিকাশ কেন্দ্ৰৰ উদ্যোগত পালন কৰা হ'ব। গৌৰৱোজ্জ্বল মহাৰজত জয়ন্তী উপলক্ষে ১২ অক্টোবৰৰ পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰা হ'ব। মূল ধৰ্মধ্বজাৰ উপৰিও ৭৫ খন ধৰ্মধ্বজা উত্তোলন কৰিব পুৰণিগুদামৰ ৭৫ গৰাকী বিশিষ্ট ব্যক্তিয়ে। সেইদিনাই পুৱা ১০-৩০ বজাত গুৰু আসন প্ৰতিষ্ঠা আৰু নাম প্ৰসংগ কাৰ্য্যসূচী অনুষ্ঠিত হ'ব। সন্ধ্যা ৫-৩০ বজাত বন্তি প্ৰজ্বলন কৰিব নামাচাৰ্য্য কামেশ্বৰ বৰাই আৰু বৰগীত পৰিবেশন কৰিব দিপ্তী তামুলী বৰাই। নিশা ৯ বজাত শংখধ্বনি শিল্পী সমাজৰ অংকীয়া নাট 'কেলিগোপাল' উদ্বোধনকৰিব বিশিষ্ট শিল্পী-নাট্যকাৰ-পৰিচালক দীপক বৰাই। দ্বিতীয় দিনা উষা কীৰ্তন, আইসকলৰ নাম, ভাগৱতসহ সাংস্কৃতিক শোভাযাত্ৰা, নাম প্ৰসংগ,

সন্ধ্যা বন্তি প্ৰজ্বলন, বৰগীত পৰিৱেশনৰ পিছতেই নিশা ৯ বজাত অবিনশ্বৰ গোষ্ঠীৰ দ্বাৰা প্ৰদৰ্শন কৰিব অংকীয়া নাটকৰ শুভ উদ্বোধন কৰিব সত্ৰাধিকাৰ শিক্ষাবিদ যুগল চন্দ্ৰ দেৱগোস্বামীয়ে। ১৪ অক্টোবৰত পুৱাৰ পৰা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে নিশা অঞ্চলৰ বাচকবনীয়া শিল্পীৰ দ্বাৰা অনুষ্ঠিত হ'ব লগা সাংস্কৃতিক সমাৰোহৰ বন্তি প্ৰজ্বলন কৰিব ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশৰ সাধাৰণ সম্পাদক দিপ্লুৰঞ্জন শৰ্মাই আৰু সাংস্কৃতিক সন্ধ্যাৰউদ্বোধন কৰিব বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। মহাৰজত জয়ন্তীৰ সফলতাৰে উদযাপন কৰিবৰ বাবে শংকৰদেৱ থান পৰিচালনা সমিতিৰ সভাপতি প্ৰভাত ভূঞা আৰু সম্পাদক সুনীল গায়নৰ লগতে এখন সমিতি থকাৰ উপৰিও পূৰ্ণ কলিতাক সভাপতি, পূৰ্ণানন্দ ভূঞাক কাৰ্যকৰী সভাপতি আৰু মহেন্দ্ৰ নাৰায়ণ ভুঞাক সাধাৰণ সম্পাদক হিচাপে লৈ উদযাপন সমিতি গঠন কৰা হৈছে। বৃহত্তৰ পুৰণিগুদাম অঞ্চলৰ বহুকেইখন গাঁৱৰ ৰাইজৰ সহযোগত অনুষ্ঠিত হ'ব লগা মহাৰজত জয়ন্তীৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতা উদযাপন সমিতিয়ে কামনা কৰিছে।

# মাকুমৰ বাৰেকুৰিত বিশ্ব হলৌ দিৱস পালনৰ ব্যাপক প্ৰস্তুতি, লাইখুঁটা স্থাপন

**ই-সংবাদ, ডুমডুমা, ৮ অক্টোবৰঃ** ২০১৭ চনৰ পৰা তিনিচুকীয়া জিলাৰ বাৰেকুৰিবাসীয়ে উদযাপন কৰি আহিছে বিশ্ব হলৌ দিৱস। বিগত বৰ্ষৰ দৰে এইবেলিও বাৰেকুৰি পৰিৱেশ উন্নয়ন সমিতি, বাৰেকুৰি হলৌ উদ্যান, দীঘলসাঁকো খণ্ড পৰিচালনা সমিতিৰ যৌথ উদ্যোগত আৰু অসম চৰকাৰৰ সৌজন্যত অহা ২৩ আৰু ২৪ অক্টোবৰত দীঘলসাঁকো গাঁৱৰ ৰাজহুৱা খেলপথাৰত দুদিনীয়া কাৰ্যসূচীৰে বিশ্ব হলৌ দিৱস উদযাপনৰ প্ৰস্তুতি চলাই থকা পৰিলক্ষিত হৈছে। বন বিভাগ আৰু তিনিচুকীয়া জিলা প্ৰশাসনৰ তত্বাৱধানত অসম মৰাণ সভাৰ দীঘলসাঁকো শাখা সমিতি, দীঘলসাঁকো গাঁও নৱজ্যোতি যুৱক সংঘ, ন-মটাপুং গাঁও সূৰুযজ্যোতি যুৱক সংঘ, দীঘলসাঁকো মহিলা সমিতি আৰু বৃহত্তৰ বাৰেকুৰিবাসীৰ সহযোগত পালন কৰিবলগীয়া বিশ্ব হলৌ দিৱসৰ আজি ধৰ্মীয় ৰীতি-নীতিৰে লাইখুঁটা স্থাপন কৰা হয়। মামৰণি মায়ামৰা ৰূপহী সত্ৰৰ সত্ৰাধিকাৰ মনোজ কুমাৰ মহন্তই লাইখুঁটা স্থাপন কৰি কয় যে সমগ্ৰ পৃথিৱীতে বন্যপ্ৰাণীৰ জীয়াই থকাৰ অধিকাৰ আছে। বহু বছৰ পূৰ্বৰ



পৰাই বন্যপ্ৰাণী সংৰক্ষণৰ গুৰুত্ব বাঢ়ি আহিছে। তেনে ক্ষেত্ৰত বাৰেকুৰিবাসীৰ গৌৰৱ হলৌ বান্দৰ সংৰক্ষণৰ প্ৰতি যি পদক্ষেপ গ্ৰহণ কৰিছে তাৰ শলাগ ল'বই লাগিব। বাৰেকুৰি পৰিৱেশ উন্নয়ন সমিতিৰ সভাপতি দিপ্লব চুতীয়াই দুদিনীয়া বিস্তৃত কাৰ্যসূচীত ৰাইজৰ উপস্থিতিৰ লগতে সহায়-সহযোগিতা কামনা কৰে। অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰবাল চেতিয়াই কয় যে এই দিৱসৰ জৰিয়তে বাৰেকুৰিবাসী আৰু বিলুপ্তপ্ৰায় হলৌ বান্দৰৰ মাজত থকা ভাতৃত্ববোধৰ এনাজৰীডাল আৰু অধিক

কটকটীয়া হৈউঠিব। হলৌ বান্দৰ সংৰক্ষণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব। লাইখুঁটা স্থাপন অনুষ্ঠানত অসম মৰাণ সভাৰ কেন্দ্ৰীয় সভাপতি ৰাজীৱ বড়া, মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অৰুণজ্যোতি মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ভুলেন বৰুৱা, চুতীয়া ছাত্ৰ সন্থা তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক গংগাধৰ শইকীয়া, হাতীজান, পুৰণি-মটাপুং আৰু হাপজান গাঁৱৰ ৰাইজৰ লগতে ভকতবৃন্দ, উদ্যোক্তা আৰু উদযাপন সমিতিৰ বিষয়-ববীয়াসকল উপস্থিত থাকে।



অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ নগেন শইকীয়াৰ সৈতে সাংসদ গৌৰৱ গগৈ

## মঙলদৈত পথ সুৰক্ষা সপ্তাহ পালন, বাছ চালক পৰিচালকৰ অংশগ্ৰহণ

**মঙলদৈ, ৮ অক্টোবৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে মঙলদৈতো ৭ অক্টোবৰৰ পৰা ১৩ অক্টোবৰলৈ দৰং জিলা পৰিবহন বিভাগৰ উদ্যোগত ৰাজ্যিক পথ সুৰক্ষা সপ্তাহ অনিষ্ঠিত হৈছে। কেন্দ্ৰীয়ভাবে এই কাৰ্যসূচী গুৱাহাটীত সোমবাৰে শুভাৰম্ভণি হয় যদিও জিলা সমূহত আজিহে আৰম্ভণি হয়। সেয়ে দৰঙত আজি এই কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে জিলা পৰিবহন বিষয়া পবন ঠাকুৰীয়াই। মঙলদৈ ভেবাৰঘাট বাছ আস্থানত শতাধিক বাছ চালক, পৰিচালক সকলে অংশ গ্ৰহণ কৰা এই কাৰ্যসূচীত জিলা পৰিবহন বিভাগে আগন্তুক শাৰদীয় দুৰ্গোৎসৱত দুৰ্ঘটনা ৰোধ কৰাৰ বাবে সকলো ৰাইজকে সুৰাপান নকৰি গাড়ী চলাবলৈ,গাড়ী চলাওতে মোবাইল ব্যৱহাৰ নকৰিবলৈ,বাইকআৰোহীক হেলমেত পৰিধান কৰিবলৈ আহব্বান জনায়।

### বাতিলৰ দাবী ঠিকাদাৰ উন্নয়ন পৰিষদৰ, শৃংখল চলিহায়ো দিলে হুংকাৰ

# অ'এনজিচিৰ চিভিল কনষ্ট্ৰাকশ্যনৰ নিবিদাৰ ল'টাৰী প্ৰক্ৰিয়াত ব্যাপক বিসংগতি


**ই-সংবাদ, শিৱসাগৰ, ৮ অক্টোবৰঃ** অ'এনজিচিৰ অসম সম্পদৰ কেতবোৰ গুৰুত্বপূৰ্ণ শাখা, কাৰ্যালয়, পৰীক্ষাগাৰ ইতিমধ্যে শিৱসাগৰ জিলাৰ পৰা বহিঃৰাজ্যলৈ স্থানান্তৰ কৰি অসম বিদ্বেষী স্বৰূপ স্পষ্ট কৰি থৈছে কৰ্তৃপক্ষই। এই বিষয়টোক লৈ কিছুদিনৰ পৰা জাতীয় দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ সময়তে এইবাৰ অ'এনজিচিৰ চিভিল কনষ্ট্ৰাকচনৰ নিবিদাৰ ল'টাৰী প্ৰক্ৰিয়াত যথেষ্ট বিসংগতি পোহৰলৈ আহিছে। অসমত হ'বলগীয়া চিভিল কনষ্ট্ৰাকচনৰ কামৰ নিবিদা বহিঃৰাজ্য তথা দিল্লীত অনুষ্ঠিত কৰাত ক্ষুন্ন হৈ পৰিছে বহু সংখ্যক ঠিকাদাৰ। দীৰ্ঘদিনৰে পৰা অ'এজিচিত সক্ৰিয় হৈ থকা এটা হিন্দী বলয় চক্ৰই থলুৱা ঠিকাদাৰ তথা ঠিকাদাৰ প্ৰতিষ্ঠানক ষড়যন্ত্ৰ কৰি বঞ্চিত কৰাৰ স্বাৰ্থতে চিভিল কনষ্ট্ৰাকচনৰ নিবিদাৰ ল'টাৰী সুদূৰ দিল্লীত অনুষ্ঠিত কৰা বুলি শিৱসাগৰ জিলা অ'এনজিচি (এল) ঠিকাদাৰ উন্নয়ন পৰিষদে অভিযোগ কৰিছে। অভিযোগ অনুসৰি চিভিল কনষ্ট্ৰাকচনৰ নিবিদা লাভৰ বাবে কেইবাশ থলুৱা ঠিকাদাৰে আবেদন কৰিছিল। আবেদনকাৰীৰ সংখ্যা অধিক হোৱাত লটাৰীৰ ব্যৱস্থা কৰে অ'এনজিচি কৰ্তৃপক্ষই। কিন্তু পৰিতাপৰ বিষয় যে অসমৰ ভূমিতে হ'বলগীয়া উক্ত কামৰ নিবিদাৰ বাবে ল'টাৰী প্ৰক্ৰিয়া অসমত সম্পন্ন নকৰি যোৱা ৪ অক্টোবৰত দিল্লীত লটাৰী প্ৰক্ৰিয়া সম্পন্ন কৰে। দিল্লীত সম্পন্ন কৰা সেই ল'টাৰী ব্যৱস্থা অতি ত্ৰুটিপূৰ্ণ আছিল বুলি অভিযোগ তুলিছে শিৱসাগৰ জিলা অ'এনজিচি (এল) ঠিকাদাৰ উন্নয়ন পৰিষদে। ইয়াৰ পাৰিপেক্ষিতত উক্ত বিসংগতিপূৰ্ণ ল'টাৰী প্ৰক্ৰিয়া বাতিল কৰি দিল্লীৰ পৰিৱৰ্তে অসমত ল'টাৰী অনুষ্ঠিত কৰাৰ দাবী জনাইছে ঠিকাদাৰ উন্নয়ন পৰিষদৰ লগতে জাতীয় দল-সংগঠন, শিৱসাগৰৰ সচেতন নাগৰিকে। শেহতীয়াকৈ অ'এনজিচিৰ লঘু যান- বাহনৰ নিবিদাৰ বাবে যিদৰে শিৱসাগৰ জিলাতে যি ধৰণৰ ল'টাৰী অনুষ্ঠিত কৰিছিল ঠিক তেনে লটাৰী অনুষ্ঠিত কৰাৰ দাবী জনাইছে। ইপিনে আজি এই দাবীসমূহ উল্লেখ কৰি পৰিষদে অ'এনজিচিৰ অসম সম্পদৰ হেড ইঞ্জিনিয়াৰিং চাৰ্ভিচেছক স্মাৰক পত্ৰ প্ৰদান কৰে। সমান্তৰালকৈ বীৰ লাচিত সেনাৰ প্ৰশাসনিক সচিব শৃংখল চলিহা উপস্থিত হৈ দিল্লীত অনুষ্ঠিত কৰা বিসংগতিপূৰ্ণ লটাৰী বাতিল কৰি শিৱসাগৰত অনুষ্ঠিত কৰাৰ বাবে দাবী জনায়। কেৱল ইমানেই নহয়, চিভিল কনষ্ট্ৰাকচনৰ নিবিদা থলুৱা ঠিকাদাৰে পোৱাতো নিশ্চিত কৰিবলৈ সকীয়াই দিয়ে শৃংখল চলিহাই। শিৱসাগৰ জিলা ঠিকাদাৰ উন্নয়ন পৰিষদ আৰু বীৰ লাচিত সেনাই কৰা দাবীসমূহ পূৰণৰ ক্ষেত্ৰত উৰ্ধ্বতম কৰ্তৃপক্ষৰ সৈতে শীঘ্ৰেই আলোচনা কৰাৰ আশ্বাস দিয়ে অ'এনজিচিৰ সংশ্লিষ্ট বিষয়াগৰাকীয়ে। দাবীসমূহ মানি নল'লে অ'এনজিচিৰ অসমত চলি থকা সকলো কাম-কাজ, কাৰ্যালয় অচল কৰি দিয়াৰো হুংকাৰ দিয়ে শৃংখল চলিহাই।

# শেষ পৃষ্ঠা

## দলবাৰী সংঘ বিজয়ী

**ই-সংবাদ, মৰিগাঁও, ৮ অক্টোবৰঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কৰ্মপ্ৰাণ ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণি 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ তীব্ৰ প্ৰতিদ্বন্দিতামূলক প্ৰথম খেলখন অসম জ্যোতি ক্লাব আৰু মৰিগাঁও ৰাণাৰ মাজত গলশূন্যভাৱে অমীমাংসিত হৈ ৰোৱাত উভয় দলেই এক পইন্টকে লাভ কৰে। বিপুল সংখ্যক ফুটবলপ্ৰেমী দৰ্শকৰ উপস্থিতিত বিয়লিৰ ভাগত মৰিগাঁও দলবাৰী যুৱকল্যাণ সংঘ আৰু মৰিগাঁও স্পৰ্টিং ক্লাবৰ মাজত অনুষ্ঠিত দ্বিতীয়খন আকৰ্ষণীয় খেলত দলবাৰীয়ে সুন্দৰ প্ৰদৰ্শন আগবঢ়াই ২-০ গ'লত জয়লাভ কৰে। আজিৰ খেল দুখন সুন্দৰভাৱে পৰিচালনা কৰে অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ৰেফাৰী দ্বিগেন পাতৰ, জিতুল পাতৰ, তোলেশ্বৰ বাংঠাই আৰু দ্বীপ পাতৰে।

## অৱসৰ ল'লে দীপা কৰ্মকাৰে



**নতুন দিল্লী, ৮ অক্টোবৰঃ** অৱসৰ ঘোষণা কৰিছে অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা জিমনাষ্ট দীপা কৰ্মকাৰে। ছ'চিয়েল মিডিয়াযোগে আঘাতৰ বাবে অৱসৰ গ্ৰহণৰ কথা ঘোষণা কৰে খেলুৱৈগৰাকীয়ে। এক পোষ্টত তেওঁ কয়, 'বহু চিন্তা আৰু বিচাৰ-বিবেচনাৰ অন্তত মই প্ৰতিযোগিতামূলক জিমনাষ্টিকছৰ পৰা অৱসৰ ল'বলৈ সিদ্ধান্ত লৈছো। এই সিদ্ধান্ত সহজ নহয়। কিন্তু মই ভাবো যে এই সিদ্ধান্তৰ বাবে এয়াই সঠিক সময়।' উল্লেখ্য যে ২০১৬ চনৰ ৰিঅ' অলিম্পিকত দৰ্শনীয় প্ৰদৰ্শন দাঙি ধৰিছিল দীপা কৰ্মকাৰে। কিন্তু মাত্ৰ ০.১৫ পইন্টৰ বাবে পদক লাভত ব্যৰ্থ হয় জিমনাষ্টগৰাকী। অৱসৰৰ কথা ঘোষণা কৰি খেলুৱৈগৰাকীয়ে আৰু কয় যে জনা হোৱাৰে পৰা জিমনাষ্টিক তেওঁৰ জীৱনৰ কেন্দ্ৰবিন্দু হৈ আহিছিল। সেয়ে অৱসৰ ঘোষণা কৰিলেও জিমনাষ্টিকৰ জগতখনৰ সৈতে আজীৱন জড়িত হৈ থাকিব বুলিও তেওঁ মন্তব্য কৰে।



ৰাজনীতিৰ দংগলত প্ৰৱেশ! জয়লাভৰ পিছত সমৰ্থকসকলৰ সৈতে এনেদৰে দেখা গ'ল বিনেশ ফ'গাটক

## ইডিৰ আগত হাজিৰ প্ৰাক্তন ভাৰতীয় অধিনায়ক

**হায়দৰাবাদ, ৮ অক্টোবৰঃ** প্ৰৱৰ্তন সঞ্চালকালয় চমুকৈ ইডিৰ নজৰ কংগ্ৰেছ নেতা তথা ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন অধিনায়ক মহম্মদ আজহাৰউদ্দিনৰ ওপৰত পৰা তেলেংগানাৰ ৰাজনীতিত চাঞ্চল্য অব্যাহত আছে। আজি ইডিয়ে পূৰ্বে জাৰি কৰা জাননী অনুসৰি ইডিৰ সন্মুখত হাজিৰ হয় আজহাৰউদ্দিন। ইডিয়ে হায়দৰাবাদ ক্ৰিকেট এছোচিয়েচনত সংঘটিত হোৱা ২০ কোটিটকীয়া বিত্তীয় অনিয়মৰ সন্দৰ্ভত জাৰি কৰিছিল জাননী। মঙলবাৰে প্ৰাক্তন সাংসদ তথা ক্ৰিকেটাৰগৰাকী হায়দৰাবাদস্থিত ইডিৰ কাৰ্যালয়ত উপস্থিত হয়। আজহাৰউদ্দিনে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ মিছা বুলি দাবী কৰে। উল্লেখ্য যে, হায়দৰাবাদৰ উপ্পল ষ্টেডিয়ামত ব্যৱহৃত জেনেৰেটৰ, অগ্নিনিৰ্বাপক বাহিনীৰ ইঞ্জিন আৰু অন্যান্য সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰত ২০ কোটি টকীয়া বিত্তীয় অনিয়মৰ অভিযোগ উত্থাপন হৈছে। যাৰ বাবে ইডিয়ে আজহাৰউদ্দিনক জাননী জাৰি কৰি তদন্তৰ বাবে কাৰ্যালয়ত হাজিৰ হ'বলৈ নিৰ্দেশ প্ৰদান কৰিছিল। পূৰ্বে তেওঁ ৪ বছৰ ধৰি হায়দৰাবাদ ক্ৰিকেট এছোচিয়েচনৰ অধ্যক্ষৰ পদত অধিষ্ঠিত হৈছিল। তেওঁৰ কাৰ্যকালত এই ধনৰ অপব্যৱহাৰৰ অভিযোগ উত্থাপন হৈছিল। যোৱা বছৰৰ অক্টোবৰ মাহত হায়দৰাবাদ আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ধাৰাত বিশ্বাস ভংগ, প্ৰতাৰণা, জালিয়াতি আৰু ষড়যন্ত্ৰৰ অভিযোগ উত্থাপন কৰি চাৰিটা অপৰাধমূলক গোচৰ ৰুজু কৰিছিল। তেতিয়া আছিল বিআৰএছৰ চৰকাৰ। চৰকাৰ কংগ্ৰেছৰ গঠনৰ পাছতে কেন্দ্ৰীয় সংস্থা ইডিয়ে গুৰুত্ব আৰোপ কৰে। ক্ৰিকেটাৰৰ পৰা ৰাজনীতিলৈ অহা আজহাৰউদ্দিনে ১৯৮৪ চনৰ পৰা ২০০০ চনলৈ ভাৰতীয় দলৰ হৈ ক্ৰিকেট খেলিছিল। তদুপৰি ১৯৮৯ চনৰ পৰা ১৯৯৯ চনলৈকে ১০ বছৰ ধৰি টীম ইণ্ডিয়াৰ অধিনায়কৰ পদো চম্ভালিছিল। তেওঁ দলৰ অধিনায়ক হৈ থকাৰ সময়চোৱাত ভাৰতে ৪৭ খন টেষ্ট মেচত ১৪ বাৰকৈ জয়লাভ কৰে। তদুপৰি ১৯ খন টেষ্ট অমীমাংসিতভাৱে সামৰণি পৰাৰ লগতে কেইবাবাৰো পৰাজয়ৰ সন্মুখীন হয় ভাৰত। একদিনীয়াত তেওঁ ১৭৪ খন মেচত অধিনায়কত্ব কৰিছিল। য'ত ভাৰতে ৯০ বাৰ জয়ী হোৱাৰ বিপৰীতে ৭৬ বাৰ পৰাস্ত হৈছিল।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)